Content includes AI-generated material

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

## এদিনীয়াক বিদায় অষ্টেলিয়াৰ ষ্টিভ স্মিথৰ



বিতং বাতৰি শেষ পৃষ্ঠাত

THURSDAY, MARCH 06, 2025 ■ বৃহস্পতিবাৰ, ২১ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৬৯ Guwahati, Assam ।। মূল্যঃ এটকা

## স্বাস্থ্যখণ্ডত লাগিছে হাহাকাৰ, দুদিন ধৰি নিৰ্বিকাৰ হিমন্ত চৰকাৰ

# ৰাজ্য কঁপাইছে ২৪ হাজাৰ চৰকাৰী কৰ্মচাৰীয়ে



### নিজৰ অধিকাৰ বিচাৰি ৰাজপথত নামি পৰিছে চিকিৎসক-স্বাস্থ্য কৰ্মী, ৬ মাৰ্চলৈকে আন্দোলন

**ই-সংবাদ, ৫ মাৰ্চঃ** লঘোণে-ভোকে দ্বিতীয় দিনাও প্ৰতিবাদ অব্যাহত ৰাখিছে ২৪ হাজাৰ চৰকাৰী কৰ্মচাৰীয়ে। স'ততে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমত এতিয়া ধৰ্ণা-আন্দোলন কৰা নহয় বুলি দাবী কৰি অহাৰ সময়তে বিগত প্ৰায় শেষাংশ ২ পৃষ্ঠাত

### বিদেশী বহিস্কাৰৰ নামত আপোচ

## অগপ দলক বিদেশী বহিষ্কৰণৰ পাঠ পঢ়ুৱালে এআইইউডিএফ দলে



**ই-সংবাদ, ৫ মাৰ্চঃ** এ আই ইউ ডি এফৰ বিধায়কে আজি বিধানসভাত ভাৰতীয় নাগৰিকক বিদেশীৰ নামত হাৰা ৩ পৃষ্ঠাত চাওক

### বিধাসভাত দাখিল কৰা তথ্যত বহু কথা

## অবৈধ কয়লাক লৈ ফাদিল চৰকাৰৰ মিথ্যাচাৰ

**ই-সংবাদ, ৫ মাৰ্চঃ** উমৰাংছুত কিমানজন শ্ৰমিকে প্ৰাণ হেৰুৱালে তাৰ সঠিক তথ্য নাই কাৰো হাতত। ১৫ জন শ্ৰমিকৰ মৃতদেহ এতিয়ালৈকে ৪ পৃষ্ঠাত চাওক

**খননৰ অনুমতি নাই, তাৰ পাছতো চৰকাৰে ৰাজহ সংগ্ৰহ কৰি আছে কয়লাৰ নামত**

## মাদ্ৰাছা নহয় প্ৰাদেশিকীকৰণ, টোলকো বাদ

**গুৱাহাটী, ৫ মাৰ্চঃ** ৰাজ্যত মাদ্ৰাছা আৰু অপ্ৰাদেশীকৃত সংস্কৃত টোলসমূহৰ প্ৰাদেশিকী ৩ পৃষ্ঠাত চাওক



## ৫০ হাজাৰ টকা লৈ জালত এডিচি ছাৰ

**ই-সংবাদ, ভৱানীপুৰ, ৫ মাৰ্চঃ** মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাৰ এক অভিযানত ২ পৃষ্ঠাত চাওক

## পিএমইএচিৰ দাবী! দেশত হ্ৰাস পাইছে দৰিদ্ৰতা

**নতুন দিল্লী, ৫ মাৰ্চঃ** বিগত এটা দশকত ভাৰতত হ্ৰাস পাইছে ৫ পৃষ্ঠাত চাওক

## ৰাহুল গান্ধীক দুশ টকা ফাইন

**লক্ষ্ণৌ, ৫ মাৰ্চঃ** চমন জাৰি কৰাৰ পিছতো আদালতত উপস্থিত নথকাৰ বাবে কংগ্ৰেছ ২ পৃষ্ঠাত চাওক




## সিংঘলৰ বিৰুদ্ধে সদনত ভৰ্ৎসনা প্ৰস্তাৱ

### বিজেপিৰ অতুল বৰাও হ'ল ক্ষুন্ন



**ই-সংবাদ, ৫ মাৰ্চঃ** গুৱাহাটী প্ৰেছ ক্লাবে কিয় ভাওনা পাতিব লাগে। ভাওনা ছেকুলাৰ নহয়। এনে মন্তব্য প্ৰদান শেষাংশ ৩ পৃষ্ঠাত

## কন্যাই নহয়, চালকক প্ৰহাৰ মহন্ত পত্নীৰো



**ই-সংবাদ, ৫ মাৰ্চঃ** অৱশেষত প্ৰফুল্ল কুমাৰ মহন্তৰ কন্যা প্ৰজ্ঞয়িতা কাশ্যপৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে শেষাংশ ৪ পৃষ্ঠাত

## অসমৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰক মেঘালয়ে!

### ডিজিপিক দাবী এইচআইটিঅ'ৰ



**ই-সংবাদ, ৫ মাৰ্চঃ** মেঘালয়ৰ সামাজিক সংগঠনে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰিছে। হাইনিৱট্ৰেপ শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫০ হাজাৰ টকা লৈ জালত

৫০ হাজাৰ টকা ঘোচ লৈ থকা অৱস্থাত হাতে-লোটে গ্ৰেপ্তাৰ হ'ল বজালী জিলাৰ সহকাৰী আয়ুক্ত, বৰপেটাৰ বাসিন্দা গৌৰৱ শেখৰ দাস। উল্লেখ্য, দীৰ্ঘদিনৰ পৰা সহকাৰী আয়ুক্তগৰাকীয়ে মাটিৰ খাদানৰ পৰা ধন সংগ্ৰহ কৰি থকাৰ অভিযোগ উত্থাপন হৈ আহিছিল আৰু আজি দীপাংকৰ চৌধুৰী নামৰ এজন ব্যক্তিৰ পৰা নিজ কাৰ্যালয়ত ৫০ হাজাৰ টকা লওঁতে হাতে-লোটে কৰায়ত্ত কৰে মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাই। অভিযোগকাৰী দীপাংকৰ চৌধুৰীয়ে সংবাদ মাধ্যমক জনায় যে বিষয়াজনে এক লাখ টকা দাবী কৰিছিল যদিও ইমান বৃহৎ পৰিমাণৰ ধন আদায় দিয়াৰ বাবে মান্তি নোহোৱাৰ বাবে এই ধনৰ পৰিমাণ ৫০ হাজাৰ টকালৈকে নামে। ইয়াৰ পাছতে চৌধুৰীয়ে মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাত বিষয়াজনৰ বিৰুদ্ধে গোচৰ তৰে। আজি চৌধুৰীয়ে ৫০ হাজাৰ টকা সহকাৰী আয়ুক্ত গৌৰৱ শেখৰ দাসক নিজ কাৰ্যালয়ত প্ৰদান কৰাৰ সময়তে পূৰ্বৰে পৰা সাজু হৈ থকা দুৰ্নীতি নিবাৰক শাখাই হাতে-লোটে কৰায়ত্ত কৰে ঘোচখোৰ গৌৰৱ শেখৰ দাসক। এনে ঘটনাই ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে লগতে মানুহৰ মাজত এক চিন্তাৰ খোৰাক জগাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাহুল গান্ধীক দুশ টকা ফাইন

সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীক দুশ টকাৰ জৰিমণা বিহিলে লক্ষ্ণৌৰ এখন আদালতে। বীৰ সাভাৰকাৰ সন্দৰ্ভত ৰাহুল গান্ধীয়ে কৰা এক বিতৰ্কিত মন্তব্যৰ গোচৰৰ শুনানিত আদালতত উপস্থিত নথকাৰ বাবে কংগ্ৰেছ নেতাগৰাকীক এই জৰিমণা বিহে অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে। আনহাতে এই গোচৰত অহা ১৪ এপ্ৰিলত আদালতত হাজিৰ নহ'লে গান্ধীৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰো সকীয়নি প্ৰদান কৰে আদালতে। উল্লেখ্য যে, আকোলাত এখন সংবাদমেলত বীৰ সাভাৰকাৰক লৈ ৰাহুল গান্ধীয়ে বিতৰ্কিত মন্তব্য কৰাৰ অভিযোগ উত্থাপন হৈছিল। অভিযোগ অনুসৰি তেওঁ সাভাৰকাৰক "ব্ৰিটিছৰ ভৃত্য" আৰু "পেঞ্চনাৰ" বুলি অভিহিত কৰিছিল। এই মন্তব্যৰ বিৰুদ্ধে অধিবক্তা নৃপেন্দ্ৰ পাণ্ডেই আদালতৰ কাষ চাপি এলাহাবাদ উচ্চ ন্যায়ালয়ত এজাহাৰ দাখিল কৰে। ইফালে, এই গোচৰৰ শুনানিত কংগ্ৰেছ সাংসদগৰাকীৰ হৈ আদালতত উপস্থিত থাকে অধিবক্তা পৰশু আগৰৱাল। তেওঁ আদালতত ৰাহুল গান্ধীৰ হাজিৰ হোৱাৰ পৰা ৰেহাইৰ বাবে আবেদন জনায়। এই গোচৰৰ শুনানি লক্ষ্ণৌৰ অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত অনুষ্ঠিত হয়। অভিযোগকাৰী নৃপেন্দ্ৰ পাণ্ডেই আদালতত কয় যে ৰাহুল গান্ধীক একাধিকবাৰ চমন জাৰি কৰা সত্বেও হাজিৰ হোৱা নাই। গতিকে তেওঁৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ৰাহুল গান্ধীৰ অধিবক্তা পৰশু আগৰৱালাই কয় যে তেওঁ লোকসভাৰ বিৰোধী দলৰ দলপতি হিচাপে দিল্লীত এখন গুৰুত্বপূৰ্ণ বৈঠকত ব্যস্ত আছিল। ইয়াৰ উপৰিও তেওঁ একাধিক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া হৈছিল, যাৰ বাবে তেওঁৰ আদালতত হাজিৰ হোৱাটো অসম্ভৱ হৈ পৰিছিল। আগৰৱালাই লগতে উল্লেখ কৰে যে ৰাহুল গান্ধীয়ে আদালতৰ প্ৰতি সম্পূৰ্ণ সন্মান জনাইছে আৰু তেওঁ ইচ্ছাকৃতভাৱে আদালতত শুনানিৰ পৰা আঁতৰি থকা নাই। এয়া অনিচ্ছাকৃতহে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্য কঁপাইছে ২৪ হাজাৰ

৪৮ ঘণ্টা ধৰি প্ৰতিবাদ অব্যাহত ৰাখিছে ২৪ হাজাৰ চৰকাৰী কৰ্মচাৰীয়ে। যাৰ ফলত ব্যাপক প্ৰভাৱ পৰিছে ৰাজ্যৰ স্বাস্থ্য খণ্ডত। ৰাজ্যজুৰি দ্বিতীয় দিনাও ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অন্তৰ্গত চিকিৎসক, নাৰ্ছ, ফাৰ্মাচিষ্ট, মিছন সমন্বয়ক, এনএনএম, জিএনএম, কমিউনিটী হেলথ অফিচাৰ, ফাৰ্মাচিষ্ট, লেবৰটৰী টেকনিচিয়ান, গাণনিক, বিপিএম, বিচিএম কৰ্মচাৰীয়ে কৰ্মবিৰতি পালন কৰি প্ৰতিবাদ অব্যাহত ৰাখিছে। আজি কেইবাগৰাকী প্ৰতিবাদকাৰী কৰ্মচাৰীয়ে চৰকাৰক হুংকাৰ প্ৰদান কৰি আন্দোলন অধিক জংগী হ'ব বুলি কয়। কৰ্মচাৰীসকলৰ প্ৰতিবাদক চৰকাৰে তিলমানো গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰি তীব্ৰ ক্ষোভ ব্যক্ত কৰে। আজি দ্বিতীয়দিনাও চাকৰি নিয়মীয়া কৰি পেঞ্চন ব্যৱস্থা বাহাল, দৰমহা বৃদ্ধি, মৃত কৰ্মচাৰীৰ পৰিয়ালক ২৫ লাখ টকাৰ আৰ্থিক সাহায্য, ভ্ৰমণ বানচ, দৈনিক ভাত্তা, বিনামূলীয়া চিকিৎসা সেৱা, ৰাজ্য চৰকাৰৰ অন্যান্য কৰ্মচাৰীৰ সমাহাৰত ভাত্তা প্ৰদানৰ দাবীত শ্ল'গান দি ৰাজ্যৰ পৰিৱেশ উত্তাল কৰি ৰাখিছে যদিও চৰকাৰে গুৰুত্বসহকাৰে লোৱা নাই। চৰকাৰৰ কোনো প্ৰতিনিধিয়ে আলোচনাত মিলিত নোহোৱাত প্ৰতিবাদ অব্যাহত ৰাখিছে কৰ্মচাৰীসকলে। চৰকাৰে আলোচনাত আগভাগ নোলোৱাত স্বাস্থ্য খণ্ডত ব্যাপক প্ৰভাৱ পৰিছে। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অন্তৰ্গত সদৌ অসম স্বাস্থ্য-কাৰিকৰী কল্যাণ সন্থাই ৬ মাৰ্চলৈ আন্দোলন ঘোষণা কৰিছে। ঘোষণা অনুসৰি কালিৰে পৰা ঠিকাভিত্তিক স্বাস্থ্য কৰ্মচাৰীয়ে অধিকাৰ বিচাৰি ৰাজপথত গণতান্ত্ৰিক সংগ্ৰাম আৰম্ভ কৰিছে। প্ৰতিবাদৰ ফলত ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহ, জিলা চিকিৎসালয়, মহকুমা চিকিৎসালয়, প্ৰাথমিক, ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয় সেৱাত প্ৰভাৱ পৰিছে। হাস্পতাল এৰি ৰাজপথত নমাত ব্যাহত হয় স্বাস্থ্য খণ্ডৰ স্বাভাৱিক কাম-কাজ। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলকৰণ আঁচনি, মেলেৰিয়া, আমব্ৰেলা আঁচনিৰ কাম স্থবিৰ হৈ পৰে। ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ বহু চিকিৎসা মহাবিদ্যালয়সমূহ, জিলা চিকিৎসালয়, মহকুমা চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰত সেৱাত প্ৰভাৱ পৰে। ৰোগী আৰু অভিভাৱকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হয়। কিয়নো ৬ মাৰ্চ পৰ্যন্ত চিকিৎসালয়সমূহৰ জৰুৰীকালীন সেৱাৰ বাহিৰে সকলো সেৱা সম্পূৰ্ণভাৱে বন্ধ ৰখাৰ ঘোষণা কৰিছে। ৰাজ্যখনৰ সৰ্বমুঠ ২৪ হাজাৰ এনএইচএম কৰ্মচাৰীয়ে নিজ নিজ কৰ্মক্ষেত্ৰ এলেকাত একত্ৰিত হৈ কৰ্মবিৰতি আৰম্ভ কৰাত ব্যাপকসংখ্যক ৰোগী বিপদত পৰিছে। প্ৰতিখন জিলাৰ সদৰ, মহকুমা সদৰ, সম-জিলাৰ সদৰ, চক্ৰ বিষয়াৰ কাৰ্যালয়ত কমেও ২০ ৰ পৰা ৭০ জন পৰ্যন্ত এনএইচএম ঠিকাভিত্তিক স্বাস্থ্য কৰ্মচাৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰি থকা পৰিলক্ষিত হৈছে। ২৪ হাজাৰ কৰ্মচাৰীয়ে বিভিন্ন আঁচনিৰ অধীনত নিয়মীয়া কৰ্মচাৰীৰ দৰেই নিতৌ সেৱা আগবঢ়ায় যদিও কিন্তু সম-কামৰ বাবে সম-দৰমহা নাপায়। পেঞ্চনৰ লগতে অন্যান্য সুবিধাৰ পৰা বঞ্চিত হ'ব। চৰকাৰক বাৰে বাৰে মৰ্যাদাসহকাৰে জীয়াই থাকিব পৰাকৈ চাকৰিৰ সুৰক্ষা দাবী কৰি আহিছে যদিও চৰকাৰে গুৰুত্ব প্ৰদান কৰা নাই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাদ্ৰাছা নহয় প্ৰাদেশিকীকৰণ, টোলকো

কৰণৰ পথ বন্ধ কৰিলে ৰাজ্য চৰকাৰে। ২০১৭ ৰ প্ৰাদেশিকীকৰণ আইন অনুসৰি পুনৰ কোনো মাদ্ৰাছা বা সংস্কৃত টোলক প্ৰাদেশিকীকৰণ কৰা নহ'ব বুলি স্পষ্ট ঘোষণা কৰিছে শিক্ষা বিভাগে। বিধানসভাৰ শূন্যকালীন ঘণ্টাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সদনত স্পষ্টকৈ এই সিদ্ধান্ত ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে জনোৱা মতে, ইতিমধ্যে যিখিনি মাদ্ৰাছা আৰু সংস্কৃত টোল প্ৰাদেশিকীকৰণৰ আওতাত আনি সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰিত কৰা হৈছে, সেইসমূহ বাদে আন কোনো অপ্ৰাদেশীকৃত মাদ্ৰাছা বা সংস্কৃত টোলক প্ৰাদেশিকীকৰণ ভৱিষ্যতে কৰা নহয়। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে ২০১৭ৰ প্ৰাদেশিকীকৰণ আইন অনুসৰি, নিৰ্দিষ্ট নিয়মৰ ভিত্তিত মাদ্ৰাছা আৰু সংস্কৃত টোলসমূহক প্ৰাদেশিকীকৰণ কৰাৰ ব্যৱস্থা আছিল। কিন্তু, নতুন সিদ্ধান্ত অনুসৰি অপ্ৰাদেশীকৃত টোল বা মাদ্ৰাছাসমূহ আইনৰ আওতাত নাহে। শিক্ষামন্ত্ৰীগৰাকীয়ে জনাই যে ইতিমধ্যে প্ৰাদেশিকীকৰণ কৰা শিক্ষানুষ্ঠানসমূহক সাধাৰণ বিদ্যালয় হিচাপে পৰিগণিত কৰা হৈছে। এই সিদ্ধান্তই ৰাজ্যৰ শিক্ষা ব্যৱস্থাত নতুন দিগন্ত মুকলি কৰিব বুলি অভিমত ব্যক্ত কৰিছে শিক্ষা বিভাগে। অন্যহাতে ৰাজ্যৰ শিক্ষা বিভাগৰ এই সিদ্ধান্তই অপ্ৰাদেশীকীকৃত মাদ্ৰাছা আৰু সংস্কৃত টোলসমূহৰ শিক্ষক আৰু শিক্ষাকৰ্মীৰ ভৱিষ্যতক লৈও এতিয়া সংশয়ৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সিংঘলৰ বিৰুদ্ধে সদনত ভৰ্ৎসনা

কৰি বিতৰ্কত সোমাই পৰিছে মন্ত্ৰী তথা ঢেকীয়াজুলি সমষ্টিৰ বিধায়ক অশোক সিংহল। তাৰ লগতে সংবিধানৰ নামত শপত লোৱা জনপ্ৰতিনিধি হৈ এটা বিশেষ জনগোষ্ঠীৰ বিৰুদ্ধে ঘৃণাসূচক মন্তব্য প্ৰদান কৰি সংবিধানক উলংঘা কৰিছে। ৰাজহুৱা অনুষ্ঠানত মাইকৰ সন্মুখত মিঞা বুলি কৈ এটা জনগোষ্ঠীৰ বিৰুদ্ধে ঘৃণা বিয়পোৱা এইগৰাকী অশোক সিংহলৰ বিৰুদ্ধে আজি অসম বিধানসভাৰ বাজেট অধিৱেশনত বিৰোধীয়ে আনিলে ভৰ্ৎসনা প্ৰস্তাৱ। কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে ভৰ্ৎসনা প্ৰস্তাৱ উত্থাপন কৰে। বিধানসভাত উপাধ্যক্ষৰ প্ৰস্তাৱক লৈ জনায় যে মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে ভৰ্ৎসনা প্ৰস্তাৱ আনিছে বিৰোধী দলপতিয়ে। আমি প্ৰস্তাৱৰ প্ৰতিলিপি প্ৰেৰণ কৰিছো অশোক সিংহললৈ। সেই সময়ত শাসক পক্ষৰ তৰফৰ পৰা অশোক সিংহলক বচাবলৈ প্ৰয়াস কৰা দেখা যায়। শাসক পক্ষৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে কয় উচ্চতম ন্যায়ালয়ে কৈছে যে মিঞা, পাকিস্তানী বুলি কোৱাটো অসাংবিধানিক নহয়। তেতিয়া উপাধ্যক্ষই শ্বেৰমান আলী আহমেদক প্ৰশ্ন কৰি কয় যে আপুনি মিঞা শব্দটো সদনত কোৱাটো সমৰ্থন কৰেনে। তেতিয়া অখিল গগৈয়ে আসনৰ পৰা থিয় হৈ উপাধ্যক্ষক উদ্দেশ্যি কয় যে আপুনি বিষয়টোৰ কমিউনিৰেল ব্যাখা নিদিব। আপুনি মাজে মাজে বাহিৰতো তেনে ব্যাখ্যা দি থাকে। মন্ত্ৰী বিমল বৰাই সদনৰ বাহিৰত সাংবাদিকক কয় যে এইটো ভুল বুজাবুজি হৈছে। আপোনালোকে মুখামুখিকৈ বহি আলোচনা কৰিলে বিষয়টো সমাধান হ'ব বুলি কয়। বিমল বৰাই কথাৰ পাকত তেনে কথা ক'ব পাৰে বুলি উল্লেক কৰি কয় যে যদি তেওঁ তেনে কথা কোৱা নাই তেন্তে তেওঁ দুখ পাব। বিজেপিৰ সভাপতিয়েবিষয়টোক মষিমূৰ কৰিবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হৈছে। আজি দিলীপ শইকীয়াই কয় যে কেতিয়াবা কিছুমান কথাই সমাজত ভাঙোন সৃষ্টি কৰিব পাৰে। সেই কথা পৰিহাৰ কৰি গণতান্ত্ৰিক প্ৰমূল্যবোধ ৰক্ষা কৰি যদি সংবাদ মাধ্যম আৰু অশোক সিংহলৰ মাজত কিবা ভুল বুজাবুজি হৈছে তেন্তে আলোচনা কৰি ইতি পেলাব লাগে। ইপিনে মন্ত্ৰী অশোক সিংহলক আজি এন্টি-অসমীয়া আখ্যা দিয়ে বিজেপিৰ বিধায়ক অতুল বৰাই। এই অভিযোগ উত্থাপন কৰিছে খোদ বিজেপিৰ বিধায়কে। তদুপৰি কোনো অসমীয়া মানুহে ভাওনাক অপমান কৰিব নোৱাৰে বুলি দাবী কৰে দিছপুৰৰ বিধায়ক অতুল বৰাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অগপ দলক বিদেশী বহিষ্কৰণৰ পাঠ

শাস্তি কৰাৰ অভিযোগ আনে। অভিযোগৰ পিছতে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে সদনত বিদেশী সন্দৰ্ভত তথ্য দাঙি ধৰি ধৰ্মৰ ভিত্তি কোনো লোকক হাৰাশাস্তি কৰা নাই বুলি স্পষ্ট কৰে। পাটোৱাৰীয়ে সদনত দিয়া তথ্য মতে, গোৱালপাৰাৰ মাটিয়াৰ একমাত্ৰ 'ট্ৰেনজিট কেম্প'ত ১২৪ জন বাংলাদেশী নাগৰিক আছে। ম্যানমাৰৰ নাগৰিক হৈছে ১৩৫ জন। ৰাজ্যত বৰ্তমানে এটাও ডিটেনচন কেম্প নাই বুলি উল্লেখ কৰি পাটোৱাৰীয়ে কয় যে ২০২৩ চনত ডিটেনচন কেম্পৰ ধাৰণা বিলুপ্ত কৰা হৈছে। চিনাক্ত কৰা বিদেশীক ৰখা হয় 'ট্ৰেনজিট কেম্প'ত। ২৬০ জন বিদেশী আছে যদিও ধৰ্মৰ ভিত্তিত কোনো লোকক তাত ৰখা নাই। বিদেশী হিচাপে ৰখা হৈছে। ধৰ্ম, ভাষাৰ ভিত্তিত ৰখা হোৱা নাই। আজিকালি ট্ৰেনজিট কেম্পত ৰখা নহয়। কিয়নো তেওঁলোকক নিজৰ নিজৰ দেশলৈ ঘূৰি যাবলৈ বিদেশী সমস্যাক লৈ হোৱা আলোচনাত বিদেশী চিনাক্তকৰণ আৰু ডিটেনচন কেম্পক লৈ এআইইউডিএফ দলে বিধানসভাত মন্তব্য প্ৰদান কৰি চাঞ্চল্যকৰ তথ্য উল্লেখ কৰে। দলটোৰ জ্যেষ্ঠ বিধায়ক ৰফিকুল ইছলামে অগপ দল বিদেশী খেদিবলৈ জন্ম হৈ আপোচ কৰাৰ অভিযোগ উত্থাপন কৰে। অগপ দলে 'কা'ক সমৰ্থন কৰি ২০১৪ চনলৈ বিদেশী লোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। লগতে বিদেশী চিনাক্ত হোৱা নাগৰিকক আমেৰিকা, বাংলাদেশ, লণ্ডন, পাকিস্তানলৈ খেদিবলৈ দাবী জনায়। কিন্তু ৰফিকুল ইছলামে স্বদেশীক বিদেশী বুলি হাৰাশাস্তি কৰাৰ অভিযোগ আনে। তেওঁৰ ককাকে ১৯৩৬ চনত কলগাছিয়াত প্ৰথমখন স্কুল স্থাপন কৰা বুলি দাবী কৰি তেওঁলোকৰ পৰিয়ালৰ লোকক বিদেশী বুলি হাৰাশাস্তি কৰাৰ অভিযোগ আনে। ইছলামে কয় যে সমাজত বসবাস কৰা এজন লোকৰ নাগৰিকত্ব মূল্যৱান সম্পত্তি বুলি উল্লেখ কৰি বিধায়কগৰাকীয়ে কয় যে সকলো থাকি যদি নাগৰিকত্ব নাথাকে তেতিয়া সেইজন মানুহৰ কোনো মান-সন্মান নাথাকে, অস্তিত্ব নাথাকে। গতিকে এজন বৈধ ভাৰতীয় নাগৰিকক যদি বিদেশী চিনাক্ত কৰি তেওঁৰ নামত গোচৰ চলে তেন্তে সেইজন মানুহ কিমান কষ্টত থাকে। বিশেষকৈ ভাষিক সংখ্যালঘু, ধৰ্মীয় সংখ্যালঘু মানুহে এই সমস্যাৰ সন্মুখীন হৈ আছে। সৰু সৰু জনগোষ্ঠীও ইয়াৰ ভুক্তভোগী। এআইইউডিএফৰ মতামত দাঙি ধৰি তেওঁ কয় যে বিদেশী যিসকল সেইসকলক চিনাক্ত কৰি বিদেশত পঠালে আমাৰ ক'বলগীয়া নাই। সেয়া আমাৰ পাৰ্টীৰ মত। ৭১ চনৰ পিছত যদি কোনো ব্যক্তি আহিছে সেইজনক পঠিয়াব লাগে। সেই কথাত আমি একমত। মই এইখন বিধানসভাৰ সদস্য। মোৰ ককাইদেউতা হাজী ইছমাইলৰ ১৯৩৬ চনৰ মাটিৰ নথি আছে। মোৰ ককাৰ দুজন সন্তান আছে। মোৰ দেউতা আৰু মোৰ জেঠাৰ নাম ১৯৫১ চনৰ এনআৰচিত আছে। মোৰ মা, জেঠীৰ নাম আছে। মোৰ জেঠীৰ এজনী ছোৱালীক ডি-ভোটাৰ লগাই আজি আদালতলৈ তাতঁ-বাতি কাঢ়ি আছে। কলগাছিয়াত ১৯৩২ চনত স্থাপিত হোৱা প্ৰাথমিক বিদ্যালয় মোৰ আতাই স্থাপন কৰিছে। সেইখন ঘৰৰ ছোৱালীক জাননী দি বৰপেটা বিদেশী ন্যায়াধিকৰণত গৈ থাকিবলগীয়া হৈছে। মোৰ সমষ্টিত বহুত এনে উদাহৰণ আছে। চাৰিজন ভাই-ককাই আছে। তাৰ মাজৰ এজন বিদেশী। এয়া কেনেকৈ হয়। কোনোবা যদি সঁচাকৈ বিদেশী আছে আমেৰিকা, বাংলাদেশ, লণ্ডন, পাকিস্তানলৈ লৈ যাওক। বিদেশী সন্দেহ কৰা লোক ১৯৭১ লাখৰ ওচৰা-উচৰি আছিল। ২০০১ ৰ পৰা ২০১৫ লৈ ৫ লাখ হ'ল। অগপৰ মন আছিল বিদেশী খেদিম বুলি। বিদেশী খেদিম বুলি জন্ম হৈছিল। কিন্তু 'কা'ৰ আগত ১৯৭১ চনটোকে মানি ল'লে। এতিয়া ১৯৭১ চনৰ পৰা ২০১৪ চনলৈ মানি ল'লে অগপ দলে। আমি এতিয়া কি কৰিম। আমি কৈছো ১৯৭১ চনৰ পিছত এজনো লোক থাকিব নালাগে। যি দলে বিদেশী খেদিম বুলি জন্ম হৈছিল সেই দলে এতিয়া এই কথা মানি ল'লে। কেবিনেট সিদ্ধান্ত লৈ স্থানীয় আদালত বহুৱাই এই গোচৰৰ সোনকালেই সমাধান কৰক। বিদেশী ন্যায়াধিকৰণত গ'লে এই গোচৰৰ সমাধান নোলায়। এইদৰে কয় এআইইউডিএফৰ বিধায়কগৰাকীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অবৈধ কয়লাক লৈ ফাদিল চৰকাৰৰ

উদ্ধাৰ হৈছে যদিও ততোধিক শ্ৰমিক অভিশপ্ত খনিটোত সোমাই গৈছিল বুলি সন্দেহ থাকি গৈছে বহুতৰে। তেনে সময়তে চলিত অসম বিধানসভাৰ বাজেট অধিৱেশনৰ সপ্তম দিনা 'ডিমা হাছাও জিলাত অবৈধ কয়লা খননৰ বাবে হোৱা শ্ৰমিকৰ মৃত্যু' শীৰ্ষক বিষয়টো আলোচনাৰ বাবে উত্থাপন কৰে বিৰোধী দলৰ দলপতি দেবব্ৰত শইকীয়াই। বিষয়টো উত্থাপন কৰি দেবব্ৰত শইকীয়াই ৰেট হল মাইনিং সন্দৰ্ভত চৰকাৰে ধূসৰ কৰি তোলা ছবিখন সন্মুখলৈ আনে। তেওঁ কয়, ১৯ ফেব্ৰুৱাৰীত বিধানসভাত বিধায়িকা শিবামণি বৰাই উত্থাপন কৰা প্ৰশ্নৰ উত্তৰত ২০১৪ চনৰ আগলৈকেহে অসমত ৰেট হল মাইনিং চলি আছিল বুলি কোৱা হৈছে। সেউজ প্ৰাধিকৰণে ২০১৪ চনত ৰেট হল মাইনিং নিষিদ্ধ কৰিছিল। কিন্তু ইয়াৰ সমান্তৰালকৈ বিধানসভাত একেদিনাই আন এগৰাকী বিধায়কৰ প্ৰশ্নৰ উত্তৰত ওলাই পৰিছে যে অসমৰ তিনিচুকীয়া, কাৰ্বি আংলং, ডিব্ৰুগড়, ডিমা হাচাও আদি বিভিন্ন স্থানত কয়লা মজুত আছে। বিৰোধী দলপতিগৰাকীয়ে লগতে কয়, কেৱল Coal India Ltd. এহে কয়লা খনন কৰিব পাৰে। কিন্তু আছাম মিনাৰেল ডেভেলপমেন্ট ক'ৰ্পোৰেচনে প্ৰতি বছৰে কয়লা উৎপাদন নাই বুলি দেখুৱাই আহিছে যদিও অ'বি কয়লাৰ পৰা ৰাজহ আহৰণ কৰি আহিছে। যিহেতু এই সংস্থাটোৱে কয়লা খনন কৰিব নোৱাৰে, এই অনুমতি তেওঁলোকৰ হাতত নাই, তেনেস্থলত কেনেকৈ তেওঁলোকে এই কয়লা লাভ কৰিলে? কয়লাৰ খননত যে ৰাজনৈতিক আৰু প্ৰশাসনিক আশীৰ্বাদ আছে, সেই কথা বি পি কটকী কমিটীৰ প্ৰতিবেদনতো উল্লেখ আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তদানীন্তন আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙক অবৈধ ৰেট হল মাইনিং বন্ধ কৰিবলৈ দিয়া নিৰ্দেশৰ উদ্ধৃতি দি দেবব্ৰত শইকীয়াই কয়, অসমত যে অবৈধ কয়লা খনন হৈ আছে সেই কথা চৰকাৰী নথিতেই উল্লেখ আছে। দেবব্ৰত শইকীয়াই কয়, অসমত অবৈধ কয়লা খনন চলি থকাৰ বাবে আছাম মিনাৰেল ডেভেলপমেন্ট ক'ৰ্পোৰেচৰ পৰিচালন সঞ্চালকগৰাকীয়েই জগৰীয়া। অ'বি কয়লাৰ নামত কয়লা সৰবৰাহ কৰিবলৈ সুবিধা প্ৰদান কৰিছে বুলি অভিযোগ আনি বিৰোধী দলপতিগৰাকীয়ে আছাম মিনাৰেল ডেভেলপমেন্ট ক'ৰ্পোৰেচনৰ পৰিচালন সঞ্চালকগৰাকীও জগৰীয়া বুলি উল্লেখ কৰে। তেওঁ কয়, ইয়াৰ পূৰ্বৰ পৰিচালন সঞ্চালকগৰাকীয়ে অবৈধ কয়লা খননৰ বিৰুদ্ধে গোচৰ পৰ্যন্ত তৰিছিল। কিন্তু বৰ্তমানৰ জনে এনে কোনো কাম নকৰি উৎসাহে যোগাই আহিছে। সেইবাবেই এজন ৰাজনৈতিকভাৱে ডিমা হাচাওত কৰ্তৃত্ব থকা ব্যক্তিৰ পৰিবাৰৰ নামত আছাম মিনাৰেল ডেভেলপমেন্ট ক'ৰ্পোৰেচনৰ চালান-এগ্ৰিমেন্ট আদি পোহৰলৈ আহিছে, যিবোৰ একেবাৰে অবৈধ। অনুমতি নোহোৱা কাম এটাত তেওঁ কেনেকৈ ব্যৱসায় কৰিবলৈ দিছিল বুলি প্ৰশ্ন উত্থাপন কৰে দেবব্ৰত শইকীয়াই। বি পি কটকীৰ প্ৰতিবেদনৰ উদ্ধৃতি দি দেবব্ৰত শইকীয়াই পুনৰ কয়, যিবোৰ ৰেট হল মাইনিং আছিল সেইবোৰ বন্ধ কৰাৰ পৰামৰ্শ প্ৰদান কৰিছিল বি পি কটকীৰ প্ৰতিবেদনত। কিন্তু সেয়াও কৰা হোৱা নাই। ২০১৪ চনৰ পূৰ্বে ৰেট হল মাইনিঙৰ যোগেদি কয়লা খনন হৈ আছিল বুলি এতিয়া কৈ থকা হৈছে। কিন্তু যদি সেয়াই হৈছিল, তেতিয়া সেইবোৰ ইমান দিনে কিয় বন্ধ কৰা হোৱা নাই? এই দায়িত্ব কাৰ? ডিমা হাচাওৰ শ্ৰমিকৰ মৃত্যুৰ বাবে কোন দায়ী - অবৈধ ঠিকাদাৰেই নে অসম চৰকাৰৰ দায়িত্বপ্ৰাপ্ত বিষয়া আৰু ভাৰপ্ৰাপ্ত মন্ত্ৰীও দায়ী? এয়া তদন্তৰ বিষয় বুলি উল্লেখ কৰি বিৰোধী দলৰ দলপতিগৰাকীয়ে বি পি কটকীৰ প্ৰতিবেদনত উল্লেখ কৰাৰ দৰে এক স্বতন্ত্ৰ সমিতি গঠন কৰি তাৰ দ্বাৰা তদন্ত কৰাৰ আহ্বান জনায়। লগতে ঘটনাৰ সৈতে জড়িত প্ৰতিজন দোষীক শাস্তি প্ৰদানৰো দাবী উত্থাপন কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কন্যাই নহয়, চালকক প্ৰহাৰ মহন্ত

দিছপুৰ আৰক্ষীয়ে। দিছপুৰ আৰক্ষী থানাত ১৯৩/২৫ নম্বৰত ন্যায় সংহিতাৰ ২৯৬/৩৫১(২)/১১৫(২)/৩৫২ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। ৪ ফেব্ৰুৱাৰীতে এজাহাৰ দাখিল কৰিছিল যদিও প্ৰায় ৩৫ ঘণ্টাৰ অন্তত গোচৰ ৰুজু হয়। আজি ডিচিপি মৃণাল ডেকাই কয় যে ঘটনাক লৈ গোচৰ ৰুজু কৰা হৈছে। তদন্ত অব্যাহত আছে। এজাহাৰ দাখিল কৰা চালকজনৰ নাম হৈছে ৰাজীৱ হুছেইন। প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তৰ কন্যাই চৰকাৰী এছকৰ্টৰ গাড়ীচালকক ৰদত আঁঠুকঢ়াই চেঙেলেৰে প্ৰহাৰ কৰা এটা ভিডিঅ' ভাইৰেল হৈছিল। ভিডিঅ' ভাইৰেল হোৱাত প্ৰজ্ঞয়িতা কাশ্যপে তেওঁক মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন কৰাত আত্মৰক্ষাৰ বাবেহে চালকজনক প্ৰহাৰ কৰা বুলি অভিযোগ আনে। কিন্তু প্ৰফুল্ল কুমাৰ মহন্তৰ কন্যাৰ অভিযোগক ভিত্তিহীন আখ্যা দিছে চালক হুছেইনে। হুছেইনে কয় যে সেই দিনা দিনৰ প্ৰায় ১২ বজাত গাড়ীত বহি থাকোতে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ পত্নী জয়শ্ৰী মহন্তই তেওঁক আবাসৰ ভিতৰলৈ মাতি পঠিয়াইছিল। মোক ব্যক্তিগত ইনভা চলাবলৈ কৈছিল। মই নচলাওঁ বুলি কোৱাত প্ৰথমে ঘৰৰ ভিতৰত মাৰধৰ কৰে। ভিতৰত মাৰধৰ কৰাৰ লগতে কন্যাই বাহিৰত ৰ'দত কাণত ধৰাই চেঙেলৰে কোবায়। প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তৰ পত্নী জয়শ্ৰী গোস্বামী মহন্তৰ নিৰাপত্তাৰ বাবে মহানগৰ আৰক্ষীয়ে দিয়া এছক'ৰ্ট বাহনৰ চালক ৰাজীৱ হুছেইনক আঁঠুকঢ়াই প্ৰহাৰ কৰাৰ দৃশ্য ভাইৰেল হৈছিল। জানিব পৰা মতে, ৰাজীৱ হুছেইনক ঘটনা সংঘটিত হোৱাৰ এসপ্তাহ পূৰ্বে জয়শ্ৰী গোস্বামী মহন্তৰ এছক'ৰ্ট চালক হিচাপে নিয়োগ কৰা হৈছিল। প্ৰজ্ঞয়িতাই নিজকে সুৰক্ষিত কৰিবলৈ এনেদৰে প্ৰহাৰ কৰা বুলি নিজ পক্ষ ৰাখে। তেওঁ কিয় যে সুৰাপান কৰি কৰ্মচাৰীজনে দীৰ্ঘদিন ধৰি মোক লৈ কমেন্ট পাছ কৰি থাকে। কেতিয়াবা ফটো তোলে। প্ৰায়ে সুৰাপান কৰি অশোভনীয় ব্যৱহাৰ কৰে। বহুবাৰ সকীয়াই দিয়াৰ পিছতো শুধৰণি হোৱা নাছিল। অতিষ্ঠ হৈহে আত্মৰক্ষাৰ বাবে মই এই কাম কৰিবলৈ বাধ্য হ'লো। তেওঁ বেয়া বেয়া মন্তব্য কৰে। আন কৰ্মচাৰীসকলেও তেওঁক বুজাইছিল। দিনক দিনে তেওঁৰ ব্যৱহাৰ বেয়াহে হৈ গৈ আছিল। শেষত তেওঁ ঘৰৰ ভিতৰলৈয়ো সোমাই গৈ মোৰ কোঠাৰ দুৱাৰত ঢকিওৱাৰ দৰে কামো কৰিবলৈ ধৰিলে। ইয়াৰ পিছত কি বাকী থাকিল? মই মোৰ নিজৰ কাষত থিয় দিছো। আত্মৰক্ষাৰ বাবে যদি মই পদক্ষেপ লোৱাটো ভুল হৈছে তেন্তে মই অতিশয় দুঃখিত। প্ৰজ্ঞয়িতাই চালকজনে নিৰ্যাতন চলোৱাৰ গুৰুতৰ অভিযোগ আনি নিজেই আইন হাতত তুলি লৈ চেঙেলেৰে প্ৰহাৰ কৰে যদিও এতিয়ালৈ এজাহাৰ দাখিল কৰিবলৈ সাহস নহ'ল। জানিব পৰা ম তে, যিজন লোকক মহন্ত কন্যাই প্ৰহাৰ কৰিছিল সেইজন হৈছে চৰকাৰী চালক। চৰকাৰে চালক হিচাপে নিযুক্তি দিছে যদি চালকজনক ব্যক্তিগত গাড়ী চলাবলৈ বাধ্য কৰোৱাৰ অভিযোগ উত্থাপন হৈছে। এটা সূত্ৰই প্ৰকাশ কৰা মতে, চৰকাৰী গাড়ী চলোৱাৰ উপৰি প্ৰজ্ঞয়িতাই ব্যক্তিগত গাড়ী চলাবলৈ চালকজনক বাধ্য কৰাইছিল। চালকজনে কৰি দিব লাগিছিল ঘৰৰ বজাৰ। প্ৰজ্ঞয়িতাই পূৰ্বেও চালকক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ আছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দেশত হ্ৰাস পাইছে দৰিদ্ৰতা

দৰিদ্ৰতাৰ হাৰ। এই দাবী কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ সদস্য শমিকা ৰবিয়ে। মঙলবাৰে তেওঁ কয় যে ২০১১-১২ ৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ভিতৰত ৩০ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। উল্লেখ্য যে পূৰ্বে শেহতীয়া লোকসভা নিৰ্বাচনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও দাবী কৰিছিল যে বিগত এটা দশকত ২৫ কোটি জনতা দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। এইবাৰ একেই দাবী প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ সদস্য শমিকা ৰবিয়েও কৰা পৰিলক্ষিত হৈছে। অৱশ্যে চৰকাৰে নিৰ্ধাৰণ কৰা দৰিদ্ৰতাৰ সংখ্যা আৰু লেখ-জোখক লৈ প্ৰশ্ন উত্থাপন কৰিছে অৰ্থনীতিবিদ আৰু বিশেষজ্ঞসকলে। মন কৰিবলগীয়া যে দেশৰ দৰিদ্ৰতা পৰিস্থিতিক লৈ ৰাজনৈতিক বিতৰ্ক যেন এক অন্ত নপৰা বিষয় হৈ আহিছে। নিৰ্বাচনৰ সময়ত দেশৰ দৰিদ্ৰতাক লৈ নিজ নিজ ধৰণে প্ৰচাৰ চলায় শাসক-বিৰোধীয়ে। সাম্প্ৰতিক সময়ত নিৰ্বাচনী কৌশলত দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাৰ গুৰুত্ব ক্ৰমান্বয়ে কমি আহিছে যদিও ধৰ্মীয় মেৰুকৰণ মূল ৰাজনৈতিক অস্ত্ৰ হৈ পৰিছে। ইফালে লোকসভা নিৰ্বাচনৰ তিনিমাহ পূৰ্বে নিটি আয়োগে প্ৰকাশ কৰা অনুসৰি মোদী চৰকাৰৰ অধীনত ২৪.৯ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। সেই দাবী মোদীয়ে নিজেই নিজৰ নিৰ্বাচনী প্ৰচাৰতো ব্যৱহাৰ কৰিছিল। কিন্তু লক্ষণীয়ভাৱে ভাৰতত দৰিদ্ৰতাৰ সূচক নিৰ্ধাৰণ আন এক বিতৰ্কৰ বিষয়। অৰ্থনীতিবিদ চি ৰংগৰাজনে নিৰ্ধাৰণ কৰি দিয়া মাপকাঠী অনুসৰি যদি কাৰোবাৰ মাহিলি ব্যয় মহানগৰত ১৪০৭ টকাতকৈ কম আৰু গাঁৱত ৯৭২ টকাতকৈ কম হয়, তেন্তে তেনে লোকক দৰিদ্ৰ হিচাপে গণ্য কৰা হয়। প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ সদস্য শমিকা ৰবিৰ মতে এই মাপকাঠী অনুসৰি দেখা গৈছে যে ২০১১-১২ চনত দেশৰ দৰিদ্ৰতাৰ হাৰ ২৯.৫% আছিল যদিও ২০২৩-২৪ বিত্তীয় বৰ্ষত ই মাত্ৰ ৪% লৈ হ্ৰাস পাইছে। শমিকা ৰবিয়ে ৰাজ্যভিত্তিক দৰিদ্ৰতাৰ হাৰৰ পৰিসংখ্যাও দাঙি ধৰে। তেওঁৰ মতে, ২০১১-১২ চনত পশ্চিমবংগত ৩০.৪% দৰিদ্ৰতাৰ হাৰ এতিয়া ৬% লৈ হ্ৰাস পাইছে। তেওঁ কয় যে সমগ্ৰ দেশতে দৰিদ্ৰতাৰ হাৰ যথেষ্ট হ্ৰাস পাইছে। এই পৰিৱৰ্তন এটা দশকৰ ভিতৰত অভূতপূৰ্ব আৰু ঐতিহাসিক বুলিও অভিহিত কৰে শমিকা ৰবিয়ে। অৱশ্যে অৰ্থনীতিবিদ চি ৰংগৰাজনে নিৰ্ধাৰণ কৰা দৰিদ্ৰতাৰ মাপকাঠী বা চৰকাৰৰ দাবীৰ বিৰুদ্ধে সৰৱ হৈ আহিছে বিৰোধী। ৰংগৰাজনৰ মতে, চহৰাঞ্চলত কোনো ব্যক্তিয়ে মাহিলি ১৪০৭ টকা ব্যয় কৰিবলৈ সক্ষম হলে তেওঁ দৰিদ্ৰ নহয়। বিৰোধীয়ে কয় যে এই হিচাপত দৈনিক ৪৭ টকাকৈ ব্যয় কৰিব পৰা এজন ব্যক্তিক চৰকাৰে দৰিদ্ৰ বুলি গণ্য নকৰে। কিন্তু দৈনিক ৪৭ টকা ব্যয় কৰি এজন ব্যক্তি চহৰাঞ্চলত চলাটো কিদৰে সম্ভৱ বুলিও প্ৰশ্ন উত্থাপন কৰে বিৰোধীয়ে। আনহাতে আন্তঃৰাষ্ট্ৰীয় মানদণ্ড অনুসৰি দৰিদ্ৰতা স্বাস্থ্য, শিক্ষা, আৰু জীৱন ধাৰণৰ মানদণ্ডৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা হয়, যিটো নিটি আয়োগে মানি নচলাৰ অভিযোগ উত্থাপন কৰি আহিছে বিৰোধীয়ে। তদুপৰি যদি ৩০ কোটি জনতা দৰিদ্ৰতাৰ পৰা মুক্ত হৈছেই, তেন্তে প্ৰধানমন্ত্ৰী মোদীয়ে আশী কোটি জনতাক বিনামূলীয়া ৰেচন কিয় প্ৰদান কৰিবলগীয়া হৈছে বুলিও প্ৰশ্ন উত্থাপন কৰিছে বিৰোধীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ

ইণ্টিগ্ৰেটেড টেৰিটৰিয়েল অৰ্গেনাইজেশ্যন চমুকৈ এইচআইটিঅ' নামৰ সংগঠনটোৱে মেঘালয়ৰ আৰক্ষী সঞ্চালকপ্ৰধান (ডিজিপি) ইদাশিশা নংৰাঙক অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আনুষ্ঠানিকভাৱে অনুৰোধ জনাইছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়, মেঘালয় চমুকৈ ইউএছটিএমে পিএইচডিকে ধৰি ভুৱা ডিগ্ৰী আৰু প্ৰমাণপত্ৰ প্ৰদান কৰাৰ অভিযোগ উত্থাপন কৰাত সংগঠনটোৱে ড০ শৰ্মাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰিছে। এখন পত্ৰ যোগে মেঘালয়ৰ এইচআইটিঅ'ৰ সভাপতি ডনবক ডিখাৰে অসমৰ মুখ্যমন্ত্ৰীৰ দাবীক তীব্ৰ সমালোচনা কৰি কয় যে তেওঁলোকে অন্যায়ভাৱে ইউএছটিএমৰ সুনাম কলুষিত কৰিছে। যিখন বিশ্ববিদ্যালয়ে মেঘালয়ৰ প্ৰথমখন ব্যক্তিগত চিকিৎসা মহাবিদ্যালয় স্থাপনকে ধৰি অঞ্চলটোত শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। সভাপতি ডনবক ডিখাৰে জোৰ দি কয় যে এনে ভিত্তিহীন অভিযোগে শিক্ষাৰ্থীসকলৰ মাজত অযথা উদ্বেগৰ সৃষ্টি কৰিছে। যাৰ ফলত তেওঁলোকৰ শৈক্ষিক আৰু কেৰিয়াৰ বিপদাপন্ন হোৱাৰ সম্ভাৱনা আছে। সংগঠনটোৱা সভাপতি ডিখাৰে আৰু কয় যে চৰকাৰ আৰু প্ৰশাসনে ইউএছটিএমৰ মৰ্যাদা পুনৰুদ্ধাৰ কৰিবলৈ নিৰ্ণায়ক পদক্ষেপ লওক। ভিত্তিহীন অভিযোগৰ পৰা মুক্ত পৰিৱেশত শিক্ষাৰ্থীসকলে যাতে শিক্ষা গ্ৰহণ কৰিব পাৰে সেয়া নিশ্চিত কৰক। মেঘালয় চৰকাৰ আৰু ইউএছটিএম দুয়োটাই শৰ্মাৰ অভিযোগ খণ্ডন কৰিছে। মেঘালয় চৰকাৰ আৰু ইউএছটিএমে অসমৰ মুখ্যমন্ত্ৰীৰ দাবীক প্ৰত্যাহ্বান জনাইছিল। ২১ ফেব্ৰুৱাৰীত ইউএছ টিএমৰ উপাচাৰ্য মাহবুবুল হকক অসম আৰক্ষীয়ে পৰীক্ষাৰ জালিয়াতি আৰু বিত্তীয় অনিয়ম, ভুৱা ডিগ্ৰী বিক্ৰীৰ অভিযোগত গ্ৰেপ্তাৰ কৰাৰ পিছতে মেঘালয়ত প্ৰবল বিতৰ্কৰ সৃষ্টি হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজহুৱাভাৱে হকৰ বিৰুদ্ধে প্ৰৱঞ্চনামূলক কাৰ্যকলাপৰ অভিযোগ উত্থাপন কৰি দাবী কৰে যে তেওঁ ভুৱা প্ৰমাণপত্ৰ প্ৰদান কৰি শিক্ষাৰ্থীসকলক বিপথে পৰিচালিত কৰি আহিছে। প্ৰত্যুত্তৰত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই ইউ এছ টি এমৰ বিশ্বাসযোগ্যতা ৰক্ষা কৰি কয় যে প্ৰতিষ্ঠানটোৱে ৰাজ্যখনত শিক্ষাৰ স্তম্ভস্বৰূপ হৈ আছে। চাংমাই এনে গুৰুতৰ অভিযোগ উত্থাপন কৰাৰ আগতে দৃঢ় প্ৰমাণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মেঘালয়ৰ শৈক্ষিক পৰিৱেশৰ ক্ষতি কৰিব পৰা কাৰ্যৰ বিৰুদ্ধে সতৰ্ক কৰি দিছিল।

# কামৰূপ জিলাৰ উন্নয়ন সমিতিৰ বৈঠক

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৫ মাৰ্চঃ** কামৰূপ জিলাৰ চলিত মাহৰ উন্নয়ন সমিতিৰ বৈঠকখন আজি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। আজিৰ বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ), মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি, অমৃত সৰোবৰ আদি আঁচনি, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জল জীৱন মিছন আৰু স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ), কৃষি বিভাগৰ পি এম কিষাণ, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, প্ৰধানমন্ত্ৰী কৃষি সঞ্চয়ী যোজনা আদি আঁচনিৰ লগতে এ পি ডি চি এল, শিক্ষা, মীন, পশুপালন আৰু পশুচিকিৎসা, জলসম্পদ, লোক নিৰ্মাণ (গৃহ আৰু পথ), স্বাস্থ্য, সমাজ কল্যাণ, বন, ৰেচম, হস্ততাঁত আৰু বস্ত্ৰ, খাদ্য, অসামৰিক যোগান আৰু ৰাজহুৱা বিতৰণ, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ আদি বিভিন্ন বিভাগৰ অধীনত চলি থকা আঁচনিৰ সমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আজিৰ বৈঠকত সকলো বিভাগীয় মুৰব্বীক চলিত বিত্তীয় বৰ্ষৰ বাবে বিভিন্ন আঁচনিৰ অধীনত নিৰ্ধাৰিত লক্ষ্যসমূহ চলিত মাহৰ ভিতৰত সম্পূৰ্ণ কৰাতো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত চলি থকা কামৰ পৰ্যালোচনা কৰি দুৰ্বল প্ৰদৰ্শন কৰা উন্নয়ন খণ্ডসমূহক কামৰ গতি খৰতকীয়া কৰিবলৈও নিৰ্দেশ প্ৰদান কৰে। বৈঠকত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্তসকল প্ৰণৱ দত্ত গোস্বামী আৰু কমল বৰুৱা, ৰঙিয়া সম-জিলাৰ আয়ুক্ত দেৱাশিস গোস্বামী আৰু বিভিন্ন বিষয়াসকলে ভাগ লয়।

## কেন্দ্ৰীয় বাজেট ২০২৫-২০২৬ৰ ওপৰত মাজুলীত বিজেপিৰ সংবাদমেল

**ই-সংবাদ, মাজুলী, ৫ মাৰ্চঃ** ইতিমধ্যে দাখিল কৰা কেন্দ্ৰীয় বাজেট ২০২৫-২০২৬ ওপৰত আজি মাজুলী জিলা বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত এক সংবাদমেল সম্বোধন কৰে ৰাজ্যিক বিজেপিৰ উপ-সভাপতি অজয় কোঁৱৰে। প্ৰতাপ বৰুৱাই আঁতধৰা সংবাদমেলখনত ৰাজ্যিক বিজেপিৰ উপ-সভাপতি অজয় কোঁৱৰে বাজেটখন সৰ্বসাধাৰণ ৰাইজৰপৰা পুঁজিপতি শ্ৰেণীলৈকে সকলোকে সামৰি এখন জনমুখী বাজেট হিচাপে পৰিগণিত হৈছে বুলি সংবাদমেলত অৱগত কৰে। লগতে কয়-- বিজেপি চৰকাৰে সবকা সাথ সবকা বিকাশ নীতিৰে জনসাধাৰণৰ কল্যাণৰ বাবে কাম কৰিছে আৰু বাজেটখনো সকলোৰে উন্নয়নৰ বাবে প্ৰস্তুত কৰাৰ হৈছে। দেশখনৰ মধ্যবিত্ত নাগৰিকসকলকো সকাহ দিয়াৰ ব্যৱস্থা কৰিছে বাজেটখনে বুলি উল্লেখ কৰি তেওঁলোকৰ টেক্স নাইকিয়া কৰিছে বুলি উল্লেখ কৰে। লগতে কয়-- বাজেটখনে উদ্যোগৰ কাৰণে অসমৰ বাবে খৰচ কৰিব। ৰে'লৰে, সামাজিক বিকাশৰ কাৰণে, কৃষিখণ্ডৰ বাবে, বিজ্ঞান-প্ৰযুক্তিৰ দিশত, আধ্যাত্মিকতাৰ দিশ, সকলো জাতি-জনগোষ্ঠীৰ কাৰণে বাজেটে আশাৰ বতৰা কঢ়িয়াই আনিছে। ঐতিহাসিক বাজেটক অসমৰ বিজেপি চৰকাৰে আদৰি লৈছে। ৰাইজেও বাজেটখন গ্ৰহণ কৰিব বুলি সংবাদ মেলত উল্লেখ কৰে। বাজেট সম্পৰ্কত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত ৰাজ্যিক বিজেপিৰ উপ-সভাপতি অজয় কোঁৱৰে কোনোধৰণৰ মন্তব্য দিয়া দেখা নগল। তাৰ বিপৰীতে উপ-সভাপতিগৰাকীয়ে সাংবাদিকে সোধা প্ৰশ্নকেইটা মোৰ দৃষ্টিলৈ অহা নাই বুলি মন্তব্য কৰে। সংবাদমেলখনত মাজুলী জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী, মনোজ বৰা, ৰঞ্জন মহন্ত উপস্থিত থাকে। ইয়াৰ পূৰ্বে উক্ত ভৱনতেই বাজেটৰ ওপৰত এক নাগৰিক সভা অনুষ্ঠিত হয়। জিলা বিজেপিৰ সভাপতি দীপক গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ৰাজ্যিক বিজেপিৰ উপ-সভাপতি অজয় কোঁৱৰ, ৰাজেন বৰা, কৰুণা বৰা, জিতেন ডেকাসহ বহুকেইগৰাকী সমল ব্যক্তিয়ে বাজেটখনৰ ওপৰত ৰাইজৰ আগত বাজেটৰ ইতিবাচক দিশবিলাক দাঙি ধৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

### গোচৰৰ মীমাংসা কৰি দিয়াৰ নামত ধন দাবী কৰাৰ গুৰুতৰ অভিযোগ

# শুৱালকুছি আৰক্ষীৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ

**ই-সংবাদ, শুৱালকুছি, ৫ মাৰ্চঃ** কামৰূপৰ শুৱালকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ এগৰাকী আদবয়সীয়াৰ। প্ৰাপ্ত অভিযোগ অনুসৰি কামৰূপৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত গন্ধমৌত এডোখৰ মাটিক লৈ দীৰ্ঘদিনৰ পৰা দুটা পক্ষৰ মাজত চলি আছিল ভুমি কেন্দ্ৰিক সংঘাত। এই সংঘাতৰ সমাধান বিচাৰি দুয়োপক্ষ ওচৰ চাপিল শুৱালকুছি আৰক্ষীৰ।দুয়ো পক্ষৰ মাজত অভিযোগ-প্ৰতিঅভিযোগ দি দাখিল কৰে দুখনকৈ এজাহাৰ। ইমানলৈকে ঠিকেই আছিল, কিন্তু ইয়াৰ মাজতে মণ্ডলৰ ৰূপত অৱতীৰ্ণ হবলৈ আগবাঢ়ি আহিল শুৱালকুছি আৰক্ষী থানাৰ অচি নৰজ্যোতি ডেকা। নৰজ্যোতি ডেকাই আৰক্ষী, চি আৰ পি এফ বাহনী লগত লৈ ভূমি চমজাই দিব মাটিৰ মালিকক। তাৰ বিনময়ত শুৱালকুছি থানাৰ অচি নৰজ্যোতি ডেকাক দিব লাগিব ৫০ হাজাৰ টকা। এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী হাছান আলীয়ে। এয়াই নহয় আনকি আৰক্ষী বিষয়াজনৰ সন্মুখতে থানাৰ ভিতৰত চলিল দুয়োপক্ষৰ অৰিয়াঅৰি, আৰক্ষীৰ বিষয়াৰ সন্মুখতে লাগিল মাৰপিট। জোন আলী নামৰ ব্যক্তিজনে আৰক্ষীৰ সন্মুখতে হাছান আলী আৰু ভতিজাকক প্ৰহাৰৰ কৰাৰো গুৰুতৰ অভিযোগ আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে। আৰক্ষী বিষয়াৰ সন্মুখতে দুয়োপক্ষৰ মাজত চলিল মাৰপিটৰ ঘটনা। এই সমগ্ৰ দৃশ্য বন্দী হয় মোবাইল কেমেৰাত। জোন আলীয়েই নহয় আৰক্ষী বিষয়া নৰজ্যোতি ডেকাই একপক্ষীয়ভাৱে হাছান আলী আৰু তেওঁৰ ভতিজাক এটা কোঠাত সুমুৱাই লৈ প্ৰহাৰ কৰাৰো অভিযোগ কৰে ভুক্তভোগী দুয়োজনে। আৰক্ষী বিষয়াৰ হাতত প্ৰহৃত হোৱা ভতিজাক চিকিৎসকৰ ওচৰত কোনো ধৰণৰ আঘাত নোপোৱা বুলি কবলৈ দিয়াৰো অভিযোগ কৰে শুৱালকুছি থানাৰ আৰক্ষী থানাৰ বিষয়া নৰজ্যোতি ডেকাৰ বিৰুদ্ধে। সকলোবোৰ ঘটনাৰ তদন্ত আৰু ন্যায় বিচাৰি মুখ্যমন্ত্ৰীলৈ কাতৰ আহ্বান জনায় ভুক্তভোগীয়ে। এতিয়া প্ৰশ্ন হয় বাৰে বাৰে কিয় অসম আৰক্ষীৰ খাকী পোছাকত লাগে দাগ ? কেতিয়া জনতাৰ আপোন হ'ব পাৰিব অসম আৰক্ষী ? জনহিত, জনসেৱাৰ্থে। অসম আৰক্ষীৰ এই মূলমন্ত্ৰক ভৰিৰে মোহাৰিছে শুৱালকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৰজ্যোতি ডেকাই। ইয়াকে লৈ এতিয়া ক্ষুব্ধ হৈ পৰিছে। সচেতন ৰাইজ।




যোৰহাটৰ বৰমুকলিত প:ৰাগ উৎসৱ আৰম্ভ, ফটোঃ ই-সংবাদ, পশ্চিম যোৰহাট

# ১২৯৪নং পূব চিকনী প্ৰাথমিক বিদ্যালয়ত এনৰেগা আচঁনিত ব্যাপক দুৰ্নীতি

**ই-সংবাদ, কলগাছিয়া, ৫ মাৰ্চঃ** কলগাছিয়াৰ ১২৯৪ নং পূব চিকনী প্ৰাথমিক বিদ্যালয়ত সংঘটিত হৈছে সীমাহীন দুৰ্নীতি আৰু প্ৰধান শিক্ষকৰ অৰাজগতা। জানিব পৰা মতে, এমজিএনৰেগা আচঁনিৰ অধীনত ১৬ লাখ ৯ হাজাৰ ৬২৯ টকা ব্যয় সাপেক্ষে প্ৰাক্তন আঞ্চলিক সদস্যা হাফিজা খাতুনে ১২৯৪ নং পূব চিকনী প্ৰাথমিক বিদ্যালয়ত চাৰিসীমাৰ বেৰ নিৰ্মাণ কাম আৰম্ভ কৰিছে যদিও উক্ত কামত ব্যাপক দুৰ্নীতি সংঘটিত হোৱা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। চাৰিসীমাৰ বেৰৰ কামত নামমাত্ৰ চিমেণ্ট ব্যৱহাৰ কৰি অধিক পৰিমাণে বালি ব্যৱহাৰ কৰাৰ ফলত ঠায়ে ঠায়ে খহি যাব ধৰিছে সীমা বেৰৰ দেৱাল। কামত ব্যাপক দুৰ্নীতি সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে কামত বাধা দিয়াত প্ৰাক্তন আঞ্চলিক সদস্যা হাফিজা খাতুনে কামৰ দায়িত্ব দিয়া মহিবুল ইছলাম নামৰ ভেৰোনীয়া গুণ্ডাই মাৰপিট কৰাৰ লগতে কামত খেলিমেলি হোৱা বুলি নিজ মুখে স্বীকাৰ কৰে। ইফালে, ৰাইজৰ অভিযোগ মতে প্ৰধান শিক্ষক আলাউদ্দিনে চৰকাৰী নীতি-নিয়মক অমান্য কৰি নিজৰ খেয়ালখুচি মতে চলাই আহিছে বিদ্যালয়। কেইবাদিনৰ মূৰত আজি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজনৰ খাদ্যৰ যোগান ধৰিছে যদিও খিচিৰি আৰু সেউজীয়া শাক-পাচলিৰ বিপৰীতে দিছে মাত্ৰ ডালি ভাত। এইগৰাকী প্ৰধান শিক্ষক আলাউদ্দিনে ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ খাদ্য সামগ্ৰী আত্মসাৎ কৰি আহিছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। এই ক্ষেত্ৰত বিদ্যালয়ত এমজিএনৰেগা আচঁনিৰ অধীনত চলি থকা কামৰ তদন্তৰ দাবী জনোৱাৰ লগতে প্ৰধান শিক্ষকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনায় স্থানীয় ৰাইজে।

## লাহৰীঘাটৰ টেঙাগুৰিত ড্ৰাগছসহ গ্ৰেপ্তাৰ তিনি ড্ৰাগছ সৰবৰাহকাৰী

**ই-সংবাদ, লাহৰীঘাট, ৫ মাৰ্চঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত টেঙাগুৰিত নিশা আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ তিনি সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। বিশেষ সুত্ৰৰ খবৰৰ ভিত্তিত মৰিগাঁও আৰক্ষীৰ অপৰাধ শাখা আৰু লাহৰীঘাট আৰক্ষীৰ যুটীয়াভাৱে অভিযান চলাই গ্ৰেপ্তাৰ কৰে ড্ৰাগছ সৰবৰাহকাৰী কেইটাক। ধৃত ড্ৰাগছ সৰবৰাহকাৰী তিনিটা ক্ৰমে নাজিৰ হুছেইন (২৪), ছাদ্দাম হুছেইন (৩২) আৰু ছফিকুল ইছলাম (২৫)। ধৃত ড্ৰাগছ সৰবৰাহকাৰী কেইটাৰ পৰা আৰক্ষীয়ে জব্দ কৰে ড্ৰাগছ ভৰ্তি তিনিটা চাবোনৰ বাকচ আৰু ম'বাইল ফোন তিনিটা। জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ৩৪.০৬ গ্ৰাম। উল্লেখ্য যে ডিমাপুৰৰ পৰা এখন এল্ট বাহনেৰে ড্ৰাগছখিনি সৰবৰাহ কৰাৰ সময়তে টেঙাগুৰিত আৰক্ষীয়ে ৩ টাকৈ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে যদিও নিশাৰ অন্ধকাৰৰ সুযোগ লৈ ডিমাপুৰৰ পৰা অহা বাহনখন লৈ আন কেইবাটাও অপৰাধী পলায়ন কৰিবলৈ সক্ষম হয়।

# বৰ্ণিহাটৰ অসম এলেকাতহে বায়ু প্ৰদূষিত হৈছেঃ কনৰাড চাংমা

**ই-সংবাদ, ৫ মাৰ্চঃ** মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই বৰ্ণিহাটত বায়ুৰ গুণাগুণ অতি বেয়া বুলি প্ৰকাশ কৰা খবৰক নস্যাৎ কৰে। এক মিডিয়া প্ৰতিবেদনক নাকচ কৰি স্পষ্ট কৰি দিয়ে যে তথ্যসমূহ অসমত অৱস্থিত মনিটৰিং ষ্টেচনৰ পৰা সংগ্ৰহ কৰা হৈছে, মেঘালয়ৰ পৰা নহয়। আজি বাজেট অধিৱেশনত ভাষণ দি মুখ্যমন্ত্ৰী চাংমাই কয় যে প্ৰতিবেদনৰ তথ্য অসমৰ কেন্দ্ৰীয় ৰাজ্য বন সেৱা একাডেমীৰ পৰা সংগ্ৰহ কৰা হৈছে। অসমৰ বৰ্ণিহাটত কেইবাটাও উদ্যোগ আছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ দ্বাৰা এক গুৰুতৰ প্ৰদূষিত অঞ্চল হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ নিৰ্দেশনা অনুসৰি অসমে ইতিমধ্যে অঞ্চলটোত প্ৰদূষণ ৰোধ কৰাৰ বাবে এক কৰ্মপন্থা হাতত লৈছে। আনহাতে, চাংমাই মেঘালয় ৰাজ্য প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ চাৰিটা মনিটৰিং ষ্টেচনৰ পৰা সংগ্ৰহ কৰা জানুৱাৰী ২০২৫ চনৰ তথ্য উপস্থাপন কৰি কয় যে মেঘালয়ৰ বৰ্ণিহাটত বায়ুৰ গুণাগুণ সন্তোষজনক আৰু মধ্যমীয়া। মুখ্যমন্ত্ৰীয়ে প্ৰদূষণৰ বিষয়ত অসম আৰু মেঘালয়ৰ মাজত



সহযোগিতাৰে কাম কৰাত গুৰুত্ব আৰোপ কৰি কয় যে মেঘালয়ে নিজৰ এলেকাৰ ভিতৰত কঠোৰ নীতি বলৱৎ কৰাটো অগ্ৰাধিকাৰ দিব। তেওঁ জনায় যে প্ৰদূষণৰ নীতি উলংঘা কৰাৰ বাবে সাতটা ঔদ্যোগিক বন্ধ কৰা হৈছে। অন্য বিলাক পৰিদৰ্শন কৰি অপৰাধীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। মুখ্যমন্ত্ৰী চাংমাই অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ দুয়োখন ৰাজ্য আৰু তেওঁলোকৰ প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ মাজত সহযোগিতা বৃদ্ধি কৰাৰ বাবে পত্ৰ লিখাৰ পৰিকল্পনাৰ কথা জনায়। স্থানীয় ৰাইজক প্ৰদূষণৰ বিৰুদ্ধে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আৰু ইয়াৰ বাবে বিভিন্ন পন্থা লোৱাৰ আহ্বান জনায়।

# গোলাঘাটৰ চুঙাজানত বৃহৎ পৰিমাণৰ হেৰ'ইন জব্দ

**ই-সংবাদ, সৰুপথাৰ, ৫ মাৰ্চঃ** সৰুপথাৰ সম জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ ১ নং চুঙাজানৰ নাওঘাট অঞ্চলত বৃহৎ পৰিমাণৰ হেৰ'ইন জব্দ কৰে আৰক্ষীৰ এটা বৃহৎ দলে। জানিব পৰা মতে আৰক্ষীয়ে গোপন খবৰ ভিত্তিত গোলাঘাট জিলাৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত আৰক্ষী বিষয়া জন দাসৰ নেতৃত্বত সৰুপথাৰৰ আৰক্ষী বিষয়া দীপেন পাতৰ, চুঙাজান আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোজ হাতীমূৰীয়া আৰু সীমান্তত নিয়োজিত ১৫৫ নং চি আৰ পি এফৰ যুটীয়া অভিযানত জব্দ হয় এই বৃহৎ পৰিমাণৰ হেৰ'ইনখিনি। এখন এ'ল্ট্ৰ বাহনত মণিপুৰৰ পৰা দুজন লোকে তেজপুৰলৈ নি থকা অৱস্থাত আৰক্ষীয়ে জব্দ কৰে হেৰ'ইনখিনি। এ'ল্ট্ৰ বাহনখনৰ নম্বৰ হৈছে এ এছ ০১ এফ জি ৬৮৫৭। বাহনখনৰ তেলৰ টেংকিৰ লগতে এটা পৃথক চেম্বাৰ বনাই লুকুৱাই আনিছিল হেৰ'ইনখিনি। ৪০ টা চাবোনৰ বাকচত অনা হেৰ'ইন খিনিৰ ওজন প্ৰায় ৪৬০.৬৬ গ্ৰাম। আৰক্ষীয়ে জনোৱা মতে হেৰ'ইনখিনিৰ বজাৰৰ মূল্য প্ৰায় ৩ কোটি বুলি জানিবলৈ দিয়ে। ধৃত সৰবৰাহকাৰীকেইটা মৰিগাঁৱৰ জিলাৰ মইৰাবাড়ি থানাৰ অন্তৰ্গত ইক্ৰামুল হক পিতা ৰুবুল আমিন, ইমদাজুল হক পিতা ইদ্ৰিছ আলি বুলি জানিব পৰা গৈছে। ধৃত লোক দুজনৰ লগতে তিনিটা মোবাইল ফোন আৰু এখন বাহন আৰক্ষীয়ে জব্দ কৰে।

# কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ ছাহজাহান আলী আহমেদৰ নাভুত-নাশ্ৰুত কাণ্ড

**ই-সংবাদ, কলগাছিয়া, ৫ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়াত অৱস্থিত নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদৰ নাভুত-নাশ্ৰুত কাণ্ড। কলেজ সপ্তাহ উদযাপনৰ ধন বিচাৰি অহা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক জেহেৰুল ইছলামক মণ্ডলবাৰে গোটেই নিশা কলেজখনৰ ভিতৰত আবদ্ধ কৰি তলা লগাই গুচি যোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ফলত কলেজখনৰ গেটৰ সন্মুখত বুধবাৰে পুৱাৰ ভাগত একাংশ ছাত্ৰ-ছাত্ৰীয়ে অধ্যক্ষৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। লগতে মহবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীক ভিতৰত প্ৰৱেশত বাধা প্ৰদান কৰে প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে। সেয়ে অধ্যক্ষ ছাহজাহান আলী আহমেদে বৰপেটা জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ সৈতে আৰক্ষী বাহিনীক লগত লৈ কলেজত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰে যদিও আৰক্ষী বিষয়াগৰাকীয়ে ছাত্ৰ-ছাত্ৰীক বুজনি দি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। কলেজত পৰীক্ষা চলি থকাৰ বাবে অধ্যক্ষ আৰু ছাত্ৰ-ছাত্ৰীসকলক লৈ কলগাছিয়া ৰাজহ চক্ৰ কাৰ্যালয়ৰ গাঁওপ্ৰধান ভৱনত সভা অনুষ্ঠিত কৰি বিষয়টো সমাধান কৰিবলৈ চেষ্টা কৰে। উল্লেখযোগ্য যে মঙলবাৰে সন্ধিয়া ৫ বজাত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক জেহেৰুল ইছলামে কলেজ সপ্তাহ উদযাপনৰ বাজেটৰ পাবলগীয়া ধন বিচাৰি গৈছিল অধ্যক্ষৰ ওচৰত। কাৰণ হে যোৱা কলেজ সপ্তাহ উদযাপনত টেন্ট হাউছ, প্ৰেছ, এন্টাৰপ্ৰাইজ, শিল্পী দল আদিয়ে টকা পাবলৈ আছে ছাত্ৰ একতা সভাৰ ওচৰত। কিন্তু পৰ্যাপ্ত ধন আদায় দিয়া নাই অধ্যক্ষগৰাকীয়ে। ফলত উক্ত দিনা অধ্যক্ষৰ ওচৰত ধন বিচাৰি গৈছিল সাধাৰণ সম্পাদকজনে। কিন্তু অধ্যক্ষই ধন আদায় দিয়াৰ বিপৰীতে অধ্যক্ষৰ নিৰ্দেশত সাধাৰণ সম্পাদকক কলেজৰ ভিতৰত আবদ্ধ কৰি থৈ গেটত তলা মাৰি গুচি গৈছিল অধ্যক্ষ আৰু কৰ্মচাৰীসকলে। পিছত গোটেই নিশা কলেজ চৌহদতে আবদ্ধ হৈ আছিল সাধাৰণ সম্পাদক জেহেৰুল ইছলাম।




পৰৱৰ্তী সময়ত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকক আবদ্ধ কৰি থৈ যোৱাৰ বাবেই বুধবাৰে পুৱা মহাবিদ্যালয়খনৰ গেটৰ সন্মুখত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে ছাত্ৰ-ছাত্ৰীসকলে। শেষত আৰক্ষী অধীক্ষকগৰাকীৰ সন্মুখত বৃহস্পতিবাৰে কলেজ অধ্যক্ষই ছাত্ৰ-ছাত্ৰীৰ পাবলগীয়া ধন আদায় দিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে বুলি জানিব পৰা গৈছে। ইফালে ছাত্ৰ-ছাত্ৰীৰ দাবী যদি অধ্যক্ষই পূৰণ নকৰে তেন্তে পুনৰ আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব বুলি হুংকাৰ প্ৰদান কৰে।

## প্ৰধান শিক্ষক পবিত্ৰ দলৈৰ বিয়োগত দক্ষিণ কামৰূপত শোকৰ ছাঁ



**ই- সংবাদ, মিৰ্জা, ৫ মাৰ্চঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত সৎপুৰৰ বিশিষ্ট সমাজকৰ্মী,লেখক, সতপুৰ আঞ্চলিক হাইস্কুলৰ প্ৰাক্তন প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তথা অসমৰ আগশাৰীৰ গল্প লেখক প্ৰাঞ্জল দলৈৰ পিতৃ পবিত্ৰ দলৈ (৮১) ৰ আজি বাৰ্ধক্যজনিত কাৰণত বিয়োগ ঘটে। দুখৰ কথা এসময়ত কামৰূপ একাডেমি, কটন কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি পবিত্ৰ দলৈয়ে সতপুৰ আঞ্চলিক হাইস্কুলত প্ৰধান শিক্ষক হিচাপে শিক্ষাদান কৰি চাকৰি নিয়মীয়া নোহোৱাকৈ অৱসৰ গ্ৰহণ কৰে। শিক্ষাৰ ক্ষেত্ৰত সেই দিনতে অৰ্থাৎ দক্ষিণ কামৰূপৰ বৰদুৱাৰ মৌজাৰ দ্বিতীয়গৰাকী এম এ পাছ কৰা ব্যক্তি আছিল পবিত্ৰ দলৈ। সেইদিন ধৰি তেওঁ অঞ্চলটোত শিক্ষাৰ প্ৰসাৰ বৃদ্ধি কৰি হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰি আহে। তেওঁ জনতা দলৰ সময়ত সতপুৰ গাওঁ পঞ্চায়তৰ কাউন্সিলাৰো আছিল। লোহাৰঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়তো শিক্ষকতা কৰিছিল। দক্ষিণ কামৰূপ মহাবিদ্যালয় মিৰ্জাৰ পৰিচালনা কমিটি, মিৰ্জাৰ শিক্ষণ প্ৰশিক্ষণ মহাবিদ্যালয়, সতপুৰ দশমী উদযাপন সমিতি আদিতো তেওঁ জড়িত আছিল। তেওঁ ক্ৰমে লোহাৰঘাট আঞ্চলিক যুৱ ক্লাব, সতপুৰ গাঁও পঞ্চায়ত,বৰদুৱাৰ গাঁও পঞ্চায়ত সমবায় সমিতি আদি অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে আছিল। এনে এগৰাকী মেধাৱী তথা সৰবৰহী লোক দলৈৰ মৃত্যুত আজি অঞ্চলটোৰ ৰাইজে এক শোক সমদল উলিয়াই অঞ্চলটোৰ এই কেইবাটাও অনুষ্ঠানসমূহলৈ তেওঁৰ নশ্বৰ দেহ নিয়া হয়। তাত পৃথকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তেওঁৰ মৃত্যুত ক্ৰমে প্ৰাক্তন শিক্ষামন্ত্ৰী যতীন মালী, পলাশবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক মোহন বসুমতাৰী আৰু বৰ্তমানৰ বিধায়ক হেমাংগ ঠাকুৰীয়ায়ো গভীৰ শোক প্ৰকাশ কৰে। লগতে শোকসন্তপ্ত পৰিয়াললৈও গভীৰ সমবেদনা জ্ঞাপন কৰে। তেওঁ মৃত্যুৰ সময়ত পত্নী নিৰুপমা মালী দলৈ, অসমৰ আগশাৰীৰ গল্প লেখক পুত্ৰ প্ৰাঞ্জল দলৈ, পুত্ৰ জ্যোতিৰ্ময় দলৈ, দুই বোৱাৰী পুষ্পাঞ্জলি বৰুৱা, বোৱাৰী সংগীতা তালুকদাৰ আৰু নাতিনী নৈঋত নিজান দলৈকে আদি কৰি বহু ইষ্ট-কুটুম্ব আৰু গুণমুগ্ধক এৰি যায়।

### ভাগ ল'ব পাৰিব প্ৰতিনিধি সভাৰ দ্বাৰা নিৰ্বাচিত জিলা প্ৰতিনিধিয়েহে

# অসম সাহিত্য সভাৰ যোৰহাট কাৰ্যনিৰ্বাহক অধিৱেশন

**ই-সংবাদ, বেবেজীয়া, ৫ মাৰ্চঃ** অসম সাহিত্য সভাৰ ২০২৫-২৭ কাৰ্য বৰ্ষৰ প্ৰথমখন কাৰ্যনিৰ্বাহক অধিৱেশন ৯ মাৰ্চৰ দিনৰ ১০ বজাৰ পৰা যোৰহাটৰ ৰাধাকান্ত সন্দিকৈ ভৱনৰ ওপৰ মহলাস্থিত নতুন প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। এই অধিৱেশনৰ লগতে ন-পুৰণি কাৰ্যনিৰ্বাহক সদস্যসকলৰো যুটীয়া বৈঠক অনুষ্ঠিত হ'ব। অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত প্ৰধান সম্পাদক দেৱজিৎ বৰাই এক বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়া মতে ইতিমধ্যে অসম সাহিত্য সভাৰ পুৰণি সদস্যসকললৈও পত্ৰ প্ৰেৰণ কৰা হৈছে আৰু নতুন সমিতিৰ নতুনকৈ মনোনীত সদস্য-সদস্যাসকলৰ পত্ৰও প্ৰেৰণৰ দিহা কৰি থকা হৈছে। এই অধিৱেশনতে অসম সাহিত্য সভাই বহুকেইটা ঐতিহাসিক প্ৰস্তাৱ গ্ৰহণ কৰিব বুলি জানিবলৈ দি প্ৰধান সম্পাদকগৰাকীয়ে লগতে কয় যে যিসমূহ জিলা সভাই সংবিধানৰ আধাৰত অনুষ্ঠিত কৰা প্ৰতিনিধি সভাত নিৰ্দিষ্টসংখ্যক শাখা প্ৰতিনিধিৰ অংশগ্ৰহণেৰে জিলা প্ৰতিনিধি নিৰ্বাচন কৰিছে তেনে প্ৰতিনিধিৰ নাম-ঠিকনা, আধাৰ কাৰ্ড, ভোটাৰ কাৰ্ড, প্ৰতিনিধি সভাত গৃহীত প্ৰস্তাৱ, উপস্থিতিৰ স্বাক্ষৰ আদি অসম সাহিত্য সভালৈ প্ৰেৰণ কৰিবলৈ সভাৰ তৰফৰ পৰা এক বিজ্ঞপ্তিযোগে (নং-অ.আ.স/কেইটা/প্ৰধান/ সাধাৰণ বিজ্ঞপ্তি/২০২৫-২৭/৩০১, তাৰিখ ০৫-০২-২০২৫) আহ্বান জনোৱা হৈছিল যদিও বৰ্তমানো গৰিষ্ঠসংখ্যক জিলা সাহিত্য সভাই নিৰ্বাচিত জিলা প্ৰতিনিধিৰ নাম-ঠিকনা প্ৰেৰণ কৰা নাই। ইফালে সভাৰ সংবিধানত উল্লেখ আছে যে জিলা সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভাত মূল সভালৈ জিলা প্ৰতিনিধি নিৰ্বাচন কৰিব। সেয়ে জিলা সভাসমূহে কেন্দ্ৰীয় সমিতিলৈ নিৰ্দিষ্ট তথ্যৰে প্ৰতিনিধিৰ সকলো নাম-ঠিকনা ডাকযোগে কেন্দ্ৰীয় কাৰ্যালয় অথবা ৯৮৬৪০-৫০৫৫০ হোৱাটছএপ নম্বৰত প্ৰেৰণ কৰিলেহে প্ৰথম কাৰ্যনিৰ্বাহক অধিৱেশনলৈ জিলাসমূহৰ প্ৰতিনিধিসকলক নিমন্ত্ৰণ কৰা হ'ব। কেৱল প্ৰতিনিধি নিৰ্বাচনৰ বাবেই প্ৰাৰম্ভিক বৈঠক, বৰ্ধিত কাৰ্যনিৰ্বাহক আদি আয়োজন কৰি বিধিসন্মত নোহোৱাকৈ নিৰ্বাচন কৰা জিলা প্ৰতিনিধিক যোৰহাটৰ কাৰ্যনিৰ্বাহক অধিৱেশনলৈ নিমন্ত্ৰণ কৰা নহয় বুলি সভাৰ তৰফৰ পৰা স্পষ্ট কৰি দিছে। সেয়ে প্ৰধান সম্পাদক দেৱজিৎ বৰাই বিবৃতিটোত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী আৰু উপ-সভাপতি পদুম ৰাজখোৱাৰ পৰামৰ্শ অনুসৰি জিলা সাহিত্য সভাসমূহক আহ্বান জনাই 'প্ৰতিনিধি সভাৰ যোগেদি জিলা প্ৰতিনিধি নিৰ্বাচন কৰিবই লাগিব' বুলি স্পষ্ট কৰি দিছে।

# তিনিচুকীয়াৰ আয়ুক্ত স্বপ্নীল পাললৈ 'ইণ্ডিয়ান এক্সপ্ৰেছ'ৰ শ্ৰেষ্ঠ জিলা দণ্ডাধীশ বঁটা

**ই-সংবাদ, তিনিচুকীয়া, ৫ মাৰ্চঃ** তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পাললৈ দেশৰ আগশাৰীৰ কাকত প্ৰতিষ্ঠান 'ইণ্ডিয়ান এক্সপ্ৰেছ' ৰ তৰফৰ পৰা উৎকৃষ্ট প্ৰশাসকৰ সন্মান আগবঢ়োৱা হৈছে। তিনিচুকীয়া (টিংৰাই), ডুমডুমা আৰু মাৰ্ঘেৰিটাৰ ডাম্পচাইটসমূহৰ পৰা ১.৫৩ লাখ মেট্ৰিকটন আৱৰ্জনা এবছৰৰ ভিতৰত সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ অপূৰ্ব কৃতিত্বৰ বাবে আয়ুক্তগৰাকীলৈ এই সন্মান আগবঢ়োৱা হৈছে। প্ৰথমবাৰৰ বাবে কোনো জিলাই এই পৰিমাণৰ আৱৰ্জনা নিষ্কাষণৰ বাবে জৈৱ খনন আৰু জৈৱ প্ৰতিকাৰ পদ্ধতি সফলভাৱে প্ৰয়োগ কৰিছে, যিয়ে সঁচাকৈয়ে পৰিৱেশ সংৰক্ষণ আৰু পৰিচ্ছন্নতাৰ ক্ষেত্ৰত এক নতুন দিশ উন্মোচন কৰিছে। কালি নতুন দিল্লীত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰেল, তথ্য আৰু সম্প্ৰচাৰ তথা তথ্য-প্ৰযুক্তিবিদ্যা বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আয়ুক্ত পালক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰে। অনুষ্ঠানত বিজ্ঞান-প্ৰযুক্তিবিদ্যা বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী ড° জিতেন্দ্ৰ সিং উপস্থিত থাকে। ইণ্ডিয়ান এক্সপ্ৰেছ গুপে এক বিজ্ঞপ্তিত এই কথা




প্ৰকাশ কৰি কয় যে যোৱা দুবছৰত দেশৰ প্ৰগতিৰ বাবে উদ্ভাৱনী শক্তিৰে উল্লেখনীয় সেৱা আগবঢ়োৱা জিলা দণ্ডাধীশসকলক উক্ত বঁটা প্ৰদান কৰা হৈছে। তাৰ ভিতৰত তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পাল অন্যতম। উল্লেখযোগ্য যে আয়ুক্ত পালে যোৱা বছৰত অসম চৰকাৰৰ কৰ্মশ্ৰী বঁটাৰেও সন্মানিত হৈছিল।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# যোৰহাটৰ মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণাত কেন্দ্ৰ ডঃ পূৰ্ণচন্দ্ৰ দলৈ স্মাৰক বক্তৃতানুষ্ঠান

**ই-সংবাদ, পশ্চিম যোৰহাট, ৫ মাৰ্চঃ** 'শ্ৰীমন্ত শংকৰদেৱ ভগৱান নহয়, অবিস্মৰণীয়, অসাধাৰণ ব্যক্তিহে। শংকৰদেৱে ভগৱানক লাভ কৰাৰ বাবে একমাত্ৰ উপায় দিছিল ভক্তি কৰিবলৈ। কিন্তু ভকতসকলে জটিল কৰি পেলাইছে। সমাজ বিজ্ঞানী শ্ৰীমন্ত শংকৰদেৱে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকক একেখন মজিয়ালৈ আনি আদৰ্শ দেখুৱাই থৈ গৈছে। নিৰক্ষৰ লোকক ভক্তিৰ জ্ঞান দিবলৈ ভাওনাৰ জৰিয়তে ব্যৱস্থা কৰিছিল। ইয়াত ধনী-দুখীয়াৰ ভাগ নাছিল। যোগ্যজনেহে স্থান পাইছিল। শৈক্ষিক অভিযান চলোৱা শ্ৰীমন্ত শংকৰদেৱে ভক্তিৰ লগতে অৰ্থনীতিৰ ক্ষেত্ৰত ভকতসকলক স্বাৱলম্বী কৰিবলৈ কৃষিৰ ব্যৱস্থাত গুৰুত্ব দিছিল। সেয়ে সকামত আগবঢ়োৱা মাহ-প্ৰসাদ উপকৰণবোৰ নিজেই উৎপাদন কৰি লোৱাৰ বয়-বস্তুৱেহে সকামত দিয়াৰ আৰ্হি দেখুৱাই থৈ গৈছে। শিল্পচৰ্চাৰ ক্ষেত্ৰতো অগ্ৰাধিকাৰ দি ধৰ্ম চৰ্চাৰ বাবে ঘৰতে সাজি ল'ব পৰাকৈ বাদ্যযন্ত্ৰৰ উপৰি তাল-খোল আদিৰহে ব্যৱস্থা কৰিছিল। লিখিবলৈ সাঁচিপাত প্ৰস্তুত কৰি লোৱাৰ লগতে চিঁয়াহীও প্ৰস্তুত কৰি লৈছিল। শিপিনীসকলৰ জৰিয়তে বৃন্দাবনী বস্ত্ৰ তৈয়াৰ কৰাই প্ৰমাণ কৰে তাঁত শিল্প গঢ়ি তোলাৰ কথা। সেইদৰে ভকতৰ বস্ত্ৰও প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰিছিল শিপিনীসকলৰ দ্বাৰাই ঘৰতে। টেম্বুৱানী বান্ধ নিৰ্মাণ কৰাই প্ৰমাণ কৰে শ্ৰীমন্ত শংকৰদেৱ এগৰাকী অভিযন্তাও আছিল।' যোৰহাট আৰৰ্ত ভৱনৰ সমীপৰ মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰ অসম, যোৰহাটে বিগত বৰ্ষসমূহত অনুষ্ঠিত কৰি অহাৰ দৰে এই বছৰ ৫ মাৰ্চত কেন্দ্ৰতে অনুষ্ঠিত কৰা ডক্টৰ পূৰ্ণচন্দ্ৰ দলৈ স্মাৰক বক্তৃতা অনুষ্ঠানত 'শংকৰী চৰ্চা ব্যাপ্তি আৰু প্ৰাপ্তি' বিষয়ত বক্তৃতা প্ৰদান কৰি এনেদৰে কয় যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ সৌমিত্ৰ পূজাৰীয়ে। কেন্দ্ৰৰ সাধাৰণ সম্পাদক দীপাঞ্জলি ভঁৰালী বৰাই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা বক্তৃতানুষ্ঠান মৃদুলা বৰাই পৰিৱেশন কৰা বৰগীতেৰে আৰম্ভ হয়। ডক্টৰ পূৰ্ণচন্দ্ৰ দলৈৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি পত্নী বিমলা বৰদলৈয়ে ধূপ-দীপ প্ৰজ্বলন কৰাৰ পাছতে পুত্ৰ অৰিন বৰদলৈসহ পৰিয়ালৰ লোকসকল আৰু উপস্থিত থকাসকলে পুষ্পাঞ্জলি অৰ্পণ কৰে। কেন্দ্ৰৰ সভাপতি গিৰীশ চন্দ্ৰ বৰদলৈৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানত কেন্দ্ৰৰ উপ-সভাপতি ডক্টৰ বিপিন খঙীয়া, উপদেষ্টা অতুল চন্দ্ৰ বৰদলৈ, ভৱ গোস্বামী, গৱেষণা-পুথিভঁৰাল উপ-সমিতিৰ সভাপতি ডক্টৰ ৰাতুল চন্দ্ৰ বৰা, সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি হেমন্ত কলিতা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ সভাপতি, কেন্দ্ৰৰ আজীৱন সভ্য ডক্টৰ বসন্ত কুমাৰ গোস্বামীক উক্ত অনুষ্ঠানতে সম্বৰ্ধনা জনায়। ভাৰতীয় ইতিহাস সংকলন সমিতিৰ যোৰহাট জিলাৰ হৈ সভাপতি অসীম কুমাৰ বৰা, সম্পাদক হেমন্ত বৰাই গোস্বামীক সম্বৰ্ধনা জনোৱাৰ লগতে বৰ্ণালী বৰদলৈ আৰু ৰীতামণি বৰায়ো সম্বৰ্ধনা জনায়। গৱেষণা কেন্দ্ৰৰ এইবছৰ আজীৱন সভ্য পদ গ্ৰহণ কৰা পশ্চিম যোৰহাট অঞ্চলৰ পুলিবৰ লখিমী নগৰৰ অসীম কুমাৰ বৰা আৰু তৰাজান কাকতি গাঁও সেউজ নগৰৰ ডক্টৰ দুলাল চন্দ্ৰ বৰাক উক্ত অনুষ্ঠানতে আজীৱন সভ্যৰ মানপত্ৰ সভাপতিয়ে প্ৰদান কৰে। যোৰহাটৰ বহুসংখ্যক সমাজ-সচেতন আৰু ধৰ্মপৰায়ণ পুৰুষ-মহিলা উপস্থিত থকা বক্তৃতানুষ্ঠানত শলাগ জ্ঞাপন কৰে দীপাঞ্জলি ভঁৰালী বৰাই।

# তিনিচুকীয়াত আছুৰ নৱনিৰ্বাচিত সঃ সাধাৰণ সম্পাদকক ৰাজহুৱা সম্বৰ্দ্ধনা

**ই-সংবাদ , তিনিচুকীয়া, ৫ মাৰ্চঃ** সদৌ অসম ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত সহকাৰী সাধাৰণ সম্পাদক সমৰ গোহাঁইক আজি তিনিচুকীয়াত ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উদ্যোগত তথা তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত বৰদলৈ নগৰস্থিত তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণ সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত আছুৰ নৱনিৰ্বাচিত সহকাৰী সাধাৰণ সম্পাদক সমৰ গোহাঁইক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰতিম নেওগে আঁত ধৰা সভাত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টাদ্বয় ক্ৰমে টংকেশ্বৰ শইকীয়া, জিতেন্দ্ৰ চুতীয়া, তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি উদীপ বৰপাত্ৰ, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক খগেন হাজৰিকাৰ লগতে জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত প্ৰতিখন আঞ্চলিক, শাখা-উপশাখা ছাত্ৰ সন্থাৰ সভাপতি-সাধাৰণ সম্পাদকৰ লগতে জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সভাত বিশিষ্ট অতিথি হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক ৰূপম কাকতি আৰু তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক অমূল্য খাটনিয়াৰ উপস্থিত থাকি ছাত্ৰ সন্থালৈ গঠনমূলক পৰামৰ্শ আগবঢ়ায়। সভাত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাক প্ৰতিনিধিত্ব কৰি কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আৰু শেহতীয়াকৈ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱা সমৰ গোহাঁইক জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত আঞ্চলিক, শাখা-উপশাখাসমূহৰ উপৰি অসম উন্নতি সভাৰ তিনিচুকীয়া জিলাৰ সভাপতি ভবেন দাস, সাধাৰণ সম্পাদক গৌতম পাল, অসম সেনাৰ বিষয়ববীয়া সাগৰ সোণোৱাল, তিনিচুকীয়া শাখা সাহিত্য সভাৰ সভাপতি-সম্পাদক, তিনিচুকীয়া জিলাৰ বিভিন্ন জাতীয়-জনগোষ্ঠীয় দল-সংগঠনৰ লগতে মহিলা সমিতি, স্থানীয় যুৱক সংঘৰ সভাপতি-সাধাৰণ সম্পাদকসকলৰ লগতে জ্যেষ্ঠ আৰু গণ্য-মান্য ব্যক্তিসকলে ৰাজহুৱা সম্বৰ্ধনা জনায়।

# গেলেকীৰ মুদি নগৰ চাহ বাগিচাৰ কৰ্তৃপক্ষৰ প্ৰশংসনীয় পদক্ষেপ

**ই-সংবাদ, গেলেকী, ৫ মাৰ্চঃ** গেলেকী মুদি নগৰ বাগিচাৰ মালিকপক্ষৰ পদক্ষেপত এতিয়া উৎফুল্লিত হৈছে চাহ শ্ৰমিক। বাগানখনৰ শ্ৰমিকসকলৰ মাজত অনুষ্ঠিত কৰা এই বিশেষ প্ৰতিযোগিতাৰ বাবে এতিয়া মুখত হাঁহি দেখিবলৈ পোৱা গৈছে শ্ৰমিকৰ। বাগানত কাম কৰা যোৱা তিনিমাহৰ ভিতৰত সৰ্বোচ্চ কাম কৰা, পাঁচদিন খতি কৰা আৰু ১০ দিন কাম খতি কৰা শ্ৰমিকৰ তালিকা প্ৰস্তুত কৰি সেইমতে একোটাকৈ আকৰ্ষণীয় পুৰস্কাৰ প্ৰদান কৰা হয়। বাগিচাখনত ৯০ দিন ধাৰাবাহিকভাৱে কাম কৰা



শ্ৰমিকক এটাকৈ মোবাইল ফোন, ৮৫ দিন কাম কৰাসকলক একোটাকৈ ফিল্টাৰ আৰু ৮০ দিন ধাৰাবাহিকভাৱে কাম কৰাসকলক এটাকৈ পানী খোৱা পাত্ৰ প্ৰদান কৰা হয় বাগিচা পৰিচালকৰ তৰফৰপৰা। সেই উদ্দেশ্যে বাগান ছুটীৰ পিছত মুদি নগৰ বাগিচাৰ কাৰ্যালয়ত এখন সভাৰ আহ্বান কৰা হয়। য'ত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি অসম চাহ মজদুৰ সংঘৰ নাজিৰা শাখাৰ সম্পাদক ভদ্ৰ ৰাজোৱাৰে বক্তৃতা প্ৰদান কৰে। মুদি নগৰ চাহ বাগিচাৰ শ্ৰমিকসকলক বাগিচাখনত কাম কৰাত উৎসাহ প্ৰদান কৰিবলৈ মালিক পক্ষৰ তৰফৰপৰা এই ব্যৱস্থা গ্ৰহণ কৰা হয়। আজিৰ এই কাৰ্যসূচীত উপস্থিত আছিল বাগিচাখনৰ মুখ্য পৰিচালক সঞ্জয় তিৱাৰীৰ লগতে অন্যান্য বিষয়ববীয়া, অসম চাহ মজদুৰ সংঘৰ নাজিৰা শাখাৰ সম্পাদক ভদ্ৰ ৰাজোৱাৰৰ লগতে মুদি নগৰ প্ৰাথমিক চাহ মজদুৰ সংঘৰ বিষয়ববীয়া।




তিনিচুকীয়াত আছুৰ নৱনিৰ্বাচিত সহকাৰী সাধাৰণ সম্পাদকক ৰাজহুৱা সম্বৰ্দ্ধনা, ফটোঃ ই-সংবাদ, তিনিচুকীয়া

## গৰ্ভৱতী মহিলাক দুৰ্ব্যৱহাৰ ছুপাৰষ্টাৰ চিকিৎসকৰ, আতংকিত পৰিয়াল

# কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকৰ মইমতালি

**ই-সংবাদ, কোকৰাঝাৰ, ৫ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিভাগৰ মুৰব্বী চিকিৎসক তথা নিজকে 'ছুপাৰষ্টাৰ' বুলি জাহিৰ কৰা ডাঃ বৰুণ বসুমতাৰীয়ে মইমতালিৰে তেওঁৰ ওচৰত চিকিৎসাৰ বাবে অহা গৰ্ভৱতী মহিলা, প্ৰসূতি মাতৃক সঘনাই দুৰ্ব্যৱহাৰ কৰি চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখনৰে পৰিবেশ বিনষ্ট কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত কোকৰাঝাৰ জিলাৰ গোসাঁইগাওঁ মহকুমাৰ গৰুফেলাৰ ওচৰৰ থাইগিৰগুৰি নিবাসী বাচ্চা ৰায়ৰ পত্নী অঞ্জনা ৰায়ে (২৭ ) জানিবলৈ দিয়া অনুসৰি তেওঁ ন মাহৰ গৰ্ভৱতী হোৱাৰ বাবে স্বামী, আশাকৰ্মীৰ লগত স্বাস্থ্য পৰীক্ষাৰ বাবে যোৱা সোমবাৰে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ আহি স্ত্ৰী আৰু প্ৰসূতি বিভাগত টিকট কাটি ২০২৫০০১৫২৭০ নম্বৰত নাম পঞ্জীয়ন কৰি ডাঃ মনোজ কুমাৰক দেখুৱায়। চিকিৎসকগৰাকীয়ে স্বাস্থ্য পৰীক্ষা কৰাৰ পাছত ৰক্ত পৰীক্ষা কৰিবলৈ দি ৪ মাৰ্চত আহিব দিয়ে। যদি সকলো ঠিকেঠাকে থাকে তেন্তে অস্ত্ৰোপ্ৰচাৰ (চিজাৰিয়ান) কৰিব পাৰিব বুলি জনায় আৰু সেয়ে সাজু হৈ আহিবলৈ কয়। সেই মৰ্মে কালি পুৱা প্ৰায় ১০.৩০ বজাত তেজ পৰীক্ষাৰ ৰিপোৰ্ট লৈ কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ যায় যদিও ডাঃ মনোজ কুমাৰ ডিউটী নথকাত একে বিভাগৰে মুৰব্বী চিকিৎসক বৰুণ বসুমতাৰীক ৰিপোৰ্টখিনি দেখুৱাবলৈ যায়। জ্যেষ্ঠ চিকিৎসক বসুমতাৰীয়ে ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰে আৰু কালি পৰীক্ষা কৰা ৰিপোৰ্টখিনি চাই সেয়া নহ'ব বুলি কৈ পুনৰ আঠটা পৰীক্ষা কৰিব লাগিব বুলি ৰোগীক জনায়। তদুপৰি উক্ত পৰীক্ষাসমূহ মেডিকেল কলেজৰ বাহিৰত কৰিব লাগিব বুলি ৰোগীক জনায়। পূৰ্বৰ তেজ পৰীক্ষাৰ ৰিপোৰ্টত হিম'গ্লোবিনৰ মাত্ৰা ৯.৬ থকা দেখি এক ইউনিট তেজ লাগিব বুলিও চিকিৎসকজনে ৰোগীক জনায়। তেজৰ কথা কোৱাত হোজা ৰোগীগৰাকীয়ে বিপাঙত পৰে আৰু ইফালে-সিফালে ফোন কৰা আৰম্ভ কৰে। ৰোগীগৰাকীয়ে তেনেদৰে ইফাল-সিফাল ফোন কৰাত চিকিৎসক গৰাকী ৰুদ্ৰমূৰ্তি ধৰে।ইয়াৰোপৰি গৰ্ভৱতী মাতৃ গৰাকীয়ে সদৰি কৰা মতে চিকিৎসক বৰুণ বসুমতাৰীয়ে তেওঁক স্বাস্থ্য পৰীক্ষা কৰাৰ সময়ত বহুত জোৰে পেটত হেঁচা প্ৰয়োগ কৰাৰ বাবে ভীষণ কষ্ট পাইছিল আৰু বহুত বিষ অনুভৱ কৰিছিল। ৰোগীগৰাকীয়ে কোৱা মতে চিকিৎসক বৰুণ বসুমতাৰীয়ে উক্ত পৰীক্ষা কেইটা কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ পৰিবৰ্তে বাহিৰতহে পৰীক্ষা কৰিব লাগিব আৰু তেজৰ ব্যৱস্থা কৰিবলৈ কাঢ়া নিৰ্দেশ দিছিল আৰু এইখিনি কৰি আনিলে লগে লগেই চিজাৰিয়ান কৰিব বুলি কৈছিল। ইয়াতে ৰোগীগৰাকী বিপাঙত পৰে আৰু এই সন্দৰ্ভত ৰোগীগৰাকীয়ে উপায় বিচাৰি তেওঁৰ অভিভাৱকসদৃশ কোকৰাঝাৰৰ এগৰাকী জ্যেষ্ঠ মহিলা সাংবাদিকক ফোন কৰে। সাংবাদিকজনক ফোন কৰি থকা দেখা পাই চিকিৎসকগৰাকী জাঙুৰ খাই উঠে আৰু পৰিয়ালটোক ককৰ্থনা কৰিবলৈ আৰম্ভ কৰে। চিকিৎসকগৰাকীয়ে অতি দাম্ভিকতাৰে কলৈ ফোন কৰি আছা, ফোন কৰি কি কৰিবি, মই ইয়াৰ ছুপাৰষ্টাৰ হয়, মই যি লিখি দিম তাকেই কৰিব লাগিব" বুলি ৰোগীক ধমকি দিবলৈ ধৰে। চিকিৎসক গৰাকীৰ কৰা এনে অভব্য আচৰণত ৰোগী হতভম্ব হৈ পৰে আৰু কি কৰিব, নকৰিব তাৰ উবাদিহ নোপোৱা হয়। এতিয়াই চিকিৎসকজনৰ যি আচৰণ, অস্ত্ৰোপচাৰৰ সময়ত বা কি কৰে বুলি ভাবি আতংকিত হৈ ৰোগীগৰাকীয়ে চিকিৎসা মহাবিদ্যালয় ত্যাগ কৰে আৰু কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ত গৈ তাৰে বিভাগীয় চিকিৎসকক সাক্ষাৎ কৰি সমগ্ৰ ঘটনা বিবৰি কয়। কোকৰাঝাৰ আৰএনবি চিকিৎসালয়ৰ চিকিৎসকে ৰোগীগৰাকীৰ পুনৰ স্বাস্থ্য পৰীক্ষা কৰে আৰু চিন্তাৰ কোনো কাৰণ নাই বুলি ৰোগীক অভয়দান কৰে। তদুপৰি ৭ সাত মাৰ্চৰ দিনা ৰোগীগৰাকীক কোকৰাঝাৰ আৰএনবি চিকিৎসালয়ত প্ৰসৱকাৰ্য কৰাব বুলি জানিবলৈ পৰা গৈছে। উল্লেখ্য যে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত ডাঃ বৰুণ বসুমতাৰীৰ ব্যৱহাৰ বেয়া বুলি অভিযোগ আছে আৰু মেডিকেল কলেজৰ সলনি তেওঁ বাহিৰতহে ৰোগীক তেজ পৰীক্ষা কৰিব দিয়ে বুলি বদনাম আছে। যি সময়ত মন্ত্ৰী অশোক সিংহলে স্বাস্থ্য বিভাগক নতুন গতি দিবলৈ হোৱাটছএপ নম্বৰ পৰ্যন্ত মুকলি কৰিছে তেনে সময়তে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত চিকিৎসকৰ "ছুপাৰষ্টাৰ হিৰো" ভূমিকাই ৰোগীসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এইক্ষেত্ৰত চিকিৎসকৰ আচৰণবিধিক লৈও মন্ত্ৰী অশোক সিংহলে সোঁৱৰাই দিয়া উচিত বুলিও সচেতন নাগৰিকে মন্তব্য কৰিছে।


# সৰুপেটাত শোকাৱহ ঘটনা, বিদ্যুৎস্পৃষ্ট হৈ এজনৰ মৃত্যু

**ই-সংবাদ, ভৱানীপুৰ, ৪ মাৰ্চঃ সৰুপেটাত** বিদ্যুৎস্পৃষ্ট হৈ আজি এজন লোকৰ শোকাৱহ মৃত্যু ঘটে। মৃত্যু হোৱা লোকজনৰ নাম মনছেৰ আলী(৪৫) আৰু তেওঁ সৰুপেটাৰ সমীপৰ সানিকুৰা গাঁৱৰ বাসিন্দা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, মনছেৰ আলী নামৰ ব্যক্তিগৰাকীয়ে আজি বিয়লি প্ৰায় ডেৰ বজাত অজাসস্তৰ গাঁৱৰ শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ এটা পৰিয়ালৰ পিছফালে থকা মাছৰ পুখুৰী এটা পানী উত্তোলক মেচিনৰ সহায়ত সিঁচিবলৈ আৰম্ভ কৰোঁতেই অসাৱধানবশতঃ বিদ্যুৎ প্ৰবাহী তাঁৰৰ সৈতে সংযোজিত হোৱাৰ ফলত সমগ্ৰ দেহত বিদ্যুৎ প্ৰবাহিত হোৱাৰ ফলত লোকজনে কৰুণ মৃত্যুক সাবটিবলগীয়া হয়। আনহাতে, সেই সময়ত মৃত ব্যক্তিগৰাকীৰ ওচৰে-পাজৰে কোনো ব্যক্তি নাছিল বুলি জানিব পৰা গৈছে। পিছত মৰণোত্তৰ পৰীক্ষাৰ বাবে তেওঁৰ মৃতদেহ বৰপেটা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

# ৰাইজৰ সৈতে প্ৰত্যক্ষ মতবিনিময় সভাত চিইএম তুলিৰাম ৰংহাং

**ই-সংবাদ, হামৰেণ, ৫ মাৰ্চঃ** সমগ্ৰ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ২৬ টা এম এ চি পৰিষদীয় সমষ্টিৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধীনস্থ ৩০ বিভাগীয় উচ্চপদস্থ বিষয়াসকলৰ উপস্থিতিত বৰজান পৰিষদীয় সমষ্টিৰ এলেকাধীন ফাং আদং মিজি ক্ৰ' গাঁৱত বিশাল ৰাইজৰ সৈতে মতবিনিময় সভাত অনুষ্ঠিত হয়। সভাত আৰম্ভণিত কাৰ্বি জনগোষ্ঠীৰ নৃত্য-গীত প্ৰদৰ্শন কৰে বৰজান সাংস্কৃতিক দলে। ইয়াৰপিছত স্থানীয় এম এ চি তথা কাৰ্বি পৰিষদৰ বৰজান সমষ্টি জনপ্ৰতিনিধি তথা ই এম সূৰ্য্য ৰংফাৰে সভা আৰম্ভণিতে সকলো উপস্থিত ৰাইজক আদৰণি জনাই। বৰ্তমান কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ চি ই এম তুলিৰাম ৰংহাং নেতৃত্বাধীন চৰকাৰে বৰজান পৰিষদীয় সমষ্টি জাকতজিলিকা কৰা উদ্দেশ্যে যি পদক্ষেপ গ্ৰহণ কৰিছে তাৰবাবে ড° তুলিৰাম ৰংহাং নেতৃত্বধীন চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে ই এম সূৰ্য্য ৰংফাৰে। সভাত চি ই এম ড° তুলিৰাম ৰংহাঙে কয় যে অনাগত দিনত বৰজান পৰিষদীয় সমষ্টি চুকে-কোণে জাকতজিলিকা কৰাৰ উদ্দেশ্যে চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব। উক্ত সভাত স্থানীয় ৰাইজে তেওঁলোকৰ প্ৰতিখন গাঁৱৰ সমস্যাসমূহৰ চৰকাৰক অৱগত কৰাৰ লগতে লিখিতৰূপত চৰকাৰৰ বিষয়াৰ হাতত প্ৰদান কৰে। চি ই এ ড° তুলিৰাম ৰংহাঙে সকলো সমস্যা সমাধানৰ আশ্বাস প্ৰদান কৰে। তদুপৰি সমষ্টিটোৰ প্ৰতি গাঁৱতে চৰকাৰৰ বিভিন্ন অভিলাসী আঁচনি গ্ৰহণৰ কথা উল্লেখ কৰে। ইয়াৰ উপৰি তুলিৰাম ৰংহাঙে বৰজান সমষ্টিৰ শিক্ষা, স্বাস্থ্য, পথ যোগাযোগ, বিশুদ্ধ খোৱাপানী, ষ্টেডিয়াম নিৰ্মাণ, মাটিৰ পট্টা, ছ'লাৰ প্ৰজেক্ট নিৰ্মাণৰ সন্দৰ্ভত ৰাইজৰ আগত উল্লেখ কৰে। উপস্থিত সাংসদ অমৰ চিং টিচ্চ, পৰিষদৰ ই এম ক্ৰমে, মাধুৰ্য্য ঢেকীয়াল ফুকন, মাধুৰাম লেকথে, ৰিটেছ ইংহি, বিলিমোহন খাগলাৰীসহ কাৰ্বি পৰিষদৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অধ্যক্ষ ফিলিপ টেৰন, লংচিং টক্‌বি, কৃষি ব'ৰ্ডৰ অধ্যক্ষ মহন টিচ্চ, বিশিষ্ট সমাজসেৱক ডা° জয়ন্তা পাটৰ, প্ৰাক্তন এম এ চি ৰাম চিং তিমুং, প্ৰাক্তন ই এম খন চিং ৰংপী, জিলা আয়ুক্ত নিৰুলা ফাংচপী, জিলা আৰক্ষী বিষয়াসকলে অংশগ্ৰহণ কৰে। উপস্থিত চি ই এমৰ মুখ্য উপদেষ্টা তথা প্ৰাক্তন ই এম কাৰ্বি পৰিষদ এলৱিন টেৰণ, প্ৰাক্তন সাংসদ হৰেন চিং বেসহ পৰিষদৰ এম এ চি শ্ৰৱণ কুমাৰ টেলেঙা, কাৰ্বি আংলং জিলাৰ বিজেপি সভাপতি ৰলেন কিলিংসহ বিজেপি এছ টি মৰ্চাৰ সম্পাদক ৰণজিৎ ক্ৰামচা আৰু অন্যান্য গণ্যমান ব্যক্তিসকলে মত বিনিময় সভাত অংশগ্ৰহণ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •



# পাঁচ সহস্ৰাধিকৰ সৈতে বিজেপিলৈ প্ৰভাৱশালী ব্যৱসায়ী মিনন মোছাহাৰী

**ই-সংবাদ, ওদালগুৰি, ৫ মাৰ্চঃ** বিজেপিৰ ৰাজ্যিক সভাপতি তথা দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াৰ উপস্থিতিত আজি পাঁচ সহস্ৰাধিক কৰ্মীক লৈ বিজেপি দলত যোগদান কৰে ওদালগুৰিৰ প্ৰভাৱশালী ব্যৱসায়ী মিনন মোছাহাৰীয়ে। বিভিন্ন ৰাজনৈতিক-অৰাজনৈতিক দলৰ কৰ্মীয়ে আজি মোছাহাৰীৰ সৈতে বিজেপি দলটোত যোগদান কৰে। দীৰ্ঘদিন ধৰি সামাজিক কামত নিয়োজিত হৈ থকা সমাজকৰ্মী তথা ব্যৱসায়ী মিনন মোছাহাৰীয়ে বিজেপি দলত যোগদানৰ পূৰ্বে আজি ওদালগুৰি চহৰৰ মাজমজিয়াৰে এক সমদল বাহিৰ কৰে। সমদলত নাচিবাগি মোছাহাৰীৰ সমৰ্থকসকলে আনন্দ কৰে দেখা যায়। ইয়াৰ পাছতে সমদলটো উপস্থিত হয় যোগদানস্থলীত। যোগদান কাৰ্যসূচী উপলক্ষে ওদালগুৰি চহৰৰ মাজমজিয়াত অনুষ্ঠিত এক সভাত বিজেপিৰ ৰাজ্যিক সভাপতি তথা দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই কয়, "আজিৰ দিনটো ভাৰতীয় জনতা পাৰ্টীৰ বিটিআৰৰ ইতিহাসত এক স্মৰণীয় দিন হিচাপে ইতিহাসত লিপিবদ্ধ থাকিব। এক যোগদান কাৰ্যসূচীত পাঁচ সহস্ৰাধিক লোকৰ উপস্থিতিয়ে ইয়াকে স্পষ্ট কৰে যে বিজেপিৰ প্ৰতি ৰাইজৰ আস্থা বাঢ়ি আহিছে। বিজেপিৰ প্ৰতি ৰাইজৰ মৰম আৰু আশীৰ্বাদ যে অপ্ৰতিৰোধ্য তাক আজি এই সভাখনে প্ৰমাণিত কৰিছে। মিনন মোছাহাৰী হৈছে বিটিআৰৰ ওদালগুৰিৰ এগৰাকী অতি আগৰণুৱা ব্যক্তি। যোৱাবাৰৰ দৰে এইবেলিও বিটিআৰৰ ওদালগুৰি জিলাৰ দহটাকৈ পৰিষদীয় সমষ্টিত আমি বিজেপি দলে প্ৰাৰ্থী প্ৰক্ষেপৰ বাবে অগ্ৰসৰ হৈছো। দশক দশক ধৰি অশান্তজৰ্জৰ হৈ থকা বিটিআৰত শান্তি প্ৰতিষ্ঠাৰ বাবে বিজেপিয়ে কাম কৰি আহিছো। যাৰ ফলত বিগত চাৰে চাৰি বছৰত বিটিআৰত কোনো ধৰণৰ বিক্ষিপ্ত ঘটনা সংঘটিত হোৱা নাই। বিগত বিটিআৰ নিৰ্বাচনসমূহৰ দৰে এইবিলিও বিটিআৰত বিজেপিয়ে অকলে শক্তিশালীভাৱে নিৰ্বাচনত অৱতীৰ্ণ হম। ইয়াত কোনো প্ৰশ্নবোধক থাকিব নালাগে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি আৰু উন্নয়নৰ এক নতুন দিগন্তৰ সূচনা হৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ৭৮ বাৰ আহিছে। উত্তৰ-পূৰ্বাঞ্চলত ১২ খনকৈ শান্তি চুক্তি স্বাক্ষৰিত হৈছে। যাৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূৰ্বাঞ্চলত অশান্তি নাইকিয়া হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ভৱিষ্যতৰ বলিষ্ঠ কাৰ্যসূচীয়ে অসমৰ ৰাইজৰ মাজত প্ৰাণৰ সঞ্চাৰ আশাৰ সঞ্চাৰ কৰিছে। এডভান্টেজ আছাম ২.০ -এ ভাৰতৰ ভিতৰতে এক উৎকৃষ্ট বিনিয়োগৰ মেলা হিচাপে পৰিগণিত হৈছে। আমাৰ চৰকাৰ প্ৰতিগৰাকী জনসাধাৰণৰ বাবে দায়বদ্ধশীল চৰকাৰ। সকলোৰে সম বিকাশ, সম উন্নয়নৰ বাবে আমি সংকল্পবদ্ধ। বিটিচি অঞ্চলত চলি থকা ভূমি সমস্যা সমাধাণৰ বাবে আমি আগবাঢ়ি গৈ আছো। বিজেপিয়ে বিটিচিত সংঘৰ্ষ নহয়, সমন্বয় বিচাৰো। গতিকে মিনন মোছাহাৰীৰ নেতৃত্বত আজি বিজেপিত যোগদান কৰা প্ৰতিগৰাকী সদস্যকে আমি আহ্বান জনাইছো যে বিটিআৰত বিজেপিৰ ভেটি অধিক মজবুত কৰাৰ বাবে আমি আজিৰে পৰা কাম কৰিব লাগিব।" উক্ত ভাষণ প্ৰসংগত শইকীয়াই বিজেপি চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহৰ বিষয়েও উল্লেখ কৰে। ইফালে বিজেপি দলত যোগদান কৰি ব্যৱসায়ী মিনন মোছাহাৰীয়ে কয় যে "মই আজিপৰ্যন্ত সমাজৰ হৈ কাম কৰি আহিছো। প্ৰতিটো জাতি-জনগোষ্ঠীৰ হৈ মই বিভিন্ন কাম কৰি আহিছো। সেইসমূহ ৰাইজে আজি মোৰ সৈতে বিজেপি দলত যোগদানৰ বাবে আহিছে। বিজেপি দলৰ লক্ষ্য আৰু উদ্দেশ্য তথা উন্নয়নৰ দিশত কৰি অহা কামৰ প্ৰতি আকৃষ্ট হৈ মই এই ৰাষ্ট্ৰীয় দলটোত যোগদান কৰিছো। আগন্তুক দিনত দলটোৱে মোক যি কাম কৰাৰ নিৰ্দেশ দিয়ে মই সেয়াই কৰিবলৈ সাজু। আহি থকা দিনবোৰত ৰাইজৰ হৈ কাম কৰি যোৱাৰ হেঁপাহ আগত ৰাখি মই আগবাঢ়ি আহিছো।" দলে বিটিচি নিৰ্বাচনত টিকট প্ৰদান কৰিলে নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ সাজু থকা বুলি সাংবাদিকৰ প্ৰশ্নত উত্তৰ দিয়ে। উল্লেখ্য যে ব্যসায়ী মিনন মোছাহাৰী হৈছে প্ৰাক্তন এবছু কৰ্মী। এসময়ত তেখেত ওদালগুৰি আঞ্চলিক এবছুৰ মূল বিষয়বাবতো আছিল। ইয়াৰ উপৰি তেখেত সীমান্ত চেতনা মঞ্চ পুৰ্বোত্তৰৰ ৰাজ্যিক উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি কিছুদিন পূৰ্বে সংগঠনটোৰ পৰা বিদায়ী লৈছিল। আজি বিজেপি দলত যোগদান অনুষ্ঠানৰ পূৰ্বে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগতে মিনন মোছাহাৰীক লগত লৈ সমদলো বাহিৰ কৰে সমৰ্থকসকলে। আজিৰ এই যোগদান সভাৰ মঞ্চত উপস্থিত থাকে বিজেপি নেতা ৰূপম গোস্বামী, ইএম সঞ্জিৎ তাঁতী, কেইবাগৰাকীও এমচিএলএ, জ্যেষ্ঠ নাগৰিক নৰেশ্বৰ ডেকাকে প্ৰমুখ্যে বহু বিজেপিৰ নেতা-কৰ্মী।

# শিক্ষাৰ ক্ষেত্ৰত সকলো পক্ষৰে কথা-বতৰা সত্যৰ ওপৰত প্ৰতিষ্ঠা হোৱাটো উচিতঃ যতীন মালী

## মিৰ্জাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীক দক্ষতাৰ বঁটা প্ৰদান

**ই-সংবাদ, মিৰ্জা, ৫ মাৰ্চঃ** শিক্ষাৰ ক্ষেত্ৰত চৰকাৰ তথা আন সকলো পক্ষৰে কথা বতৰাবোৰ সত্যৰ ওপৰত প্ৰতিষ্ঠা হোৱাটো উচিত। জনপ্ৰতিনিধিসকলে নিজৰ স্বাৰ্থতকৈ জনগণৰ মংগলৰ বাবেহে সদায় কাম কৰি যোৱাটো উচিত। অন্যথা সমাজ বিপথে যোৱাতো নিশ্চিত। এই মন্তব্য অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী যতীন মালীৰ। আজি পলাশবাৰী সমষ্টিৰ অন্তৰ্গত মিৰ্জাস্থিত শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ বঁটা-বিতৰণী সভাত অংশগ্ৰহণ কৰি যতীন মালীয়ে তেওঁৰ কাৰ্যকালত অসমৰ বিভিন্ন প্ৰান্তত শিক্ষাৰ দিশত কৰি অহা কাম-কাজৰ কথা উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে পঢ়াশুনা কৰি যাবলৈ কয়। তেওঁ কয়-- আমাৰ এই শিক্ষণ প্ৰশিক্ষণ মহাবিদ্যালয়ত বছৰি ফলাফল ভাল হৈছে। ২০২১ বৰ্ষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত শীৰ্ষক থাকে আমাৰ এই মহাবিদ্যালয়ৰ ছাত্ৰী নৱনীতা দাস। সঞ্জীৱ কলিতাই পৰিচালনা কৰা নাট চিঞৰ নাটখনিয়ে ইন্টাৰ বি এড মহাবিদ্যালয় সপ্তাহ ২০২৩ বৰ্ষত পাণ্ডু মহাবিদ্যালয়ত প্ৰথম স্থান দখল কৰে। আমাৰ এই মহাবিদ্যালয়ত বৰ্তমান ছগৰাকী ডক্টৰেট ডিগ্ৰীধাৰী অধ্যাপক, অধ্যক্ষ আছে। আজিৰ সভাৰ জৰিয়তেই তেওঁ নৱপ্ৰজন্মক জনাই যে ১৯৮৭ বৰ্ষত দক্ষিণ কামৰূপ মহাবিদ্যালয়ত তেওঁ বিজ্ঞান শাখা আৰম্ভ কৰে। ১৯৮৮ বৰ্ষত মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছো। আজি মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২২০০ গৰাকী। লগতে ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়, বিজয়নগৰ কমাৰ্চ কলেজ, মিৰ্জাৰ এই শিক্ষণ প্ৰশিক্ষণ মহাবিদ্যালয়, জনসাধাৰণৰ হিতৰ উদ্দেশ্যে মিৰ্জাত ৩০খন বিচনাযুক্ত চিকিৎসালয়, ১ নং জিয়াকুৰত ৩০ খন বিচনাযুক্ত চিকিৎসালয়, প্ৰায় ৩৫০ খন প্ৰাথমিক আৰু এম ভি স্কুলৰ ঘৰ গাঁৱে গাঁৱে নিৰ্মাণ কৰিছো। লগতে ৪ হাজাৰ যুৱক-যুৱতীক চাকৰি দিছো বুলি উল্লেখ কৰে। সভাৰ শেষত প্ৰাক্তন মন্ত্ৰী যতীন মালীয়ে অহা '২৬ৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবনে বুলি সাংবাদিকে সোধা প্ৰশ্নত জোৰদাৰ গতিত ইতিমধ্যেই প্ৰস্তুতি চলাই থকা হৈছে বুলি কয়। পঞ্চায়ত নিৰ্বাচনতো প্ৰতিদ্বন্দিতা কৰাৰ বাবে ভিতৰি আঞ্চলিক কমিটিসমূহৰ কাম-কাজ কৰি থকা হৈছে বুলি জানিবলৈ দিয়ে। এই বঁটা-বিতৰণী সভা উপলক্ষে আৰম্ভণিতে এই মহাবিদ্যালয়খনৰ অধ্যাপক ভৱেন মহন্তই উদ্দেশ্য ব্যাখ্যা কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। আনাগত সময়ত এই মহাবিদ্যালয়ৰপৰা আৰু অধিক ফলাফল তেওঁ আশা কৰে। সভাত এই মহাবিদ্যালয়ৰ অধ্যক্ষা ডঃ নীতা ভূএগাই ভাষণ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলে অকল একাডেমিক দিশতেই নহয়, আন আন কলা-কৌশল, বাস্তৱ জীৱনৰ লগত মিলিব পৰাকৈ ছাত্ৰ-ছাত্ৰীক অধ্যয়ন কৰি যাবলৈ কয়। শিক্ষাত সন্তুষ্টি ৰাখি নিজৰ এচিভমেণ্ট প্ৰস্তুত কৰিব পাৰিলেহে ভৱিষ্যতে এগৰাকী সফল নাগৰিক হোৱাত সহায় হয়। এই সভাত মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষা ডঃ মীৰাৰাণী কলিতা, পৰিচালনা সমিতিৰ সদস্য ডঃ দীনেশ কলিতাকে ধৰি মহাবিদ্যালয়ৰ অধ্যাপক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই মহাবিদ্যালয়খনৰপৰা খেল-ধেমালি, সাহিত্য, অভিনয় আদি বিভিন্ন দিশত দক্ষতা অৰ্জন কৰা এশৰো অধিক ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান কৰা হয়। এই বঁটাত ট্ৰফী, মেডল, মানপত্ৰ আদি প্ৰদান কৰা হয়। আনহাতে, আজি পুৱা মহাবিদ্যালয়খনত সাধাৰণ জনতাক আকৰ্ষণ কৰিব পৰাকৈ এক মুকলি ভেশচন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

---

# লাহোৱালত এনএইচএমৰ স্বাস্থ্যকৰ্মীৰ তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৫ মাৰ্চঃ** ৰাজ্যৰ স্বাস্থ্যখণ্ডত আমূল পৰিৱৰ্তন কৰাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন আঁচনি ঘোষণা কৰিছে যদিও ৰাজ্যখনত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত নিযুক্ত হৈ থকা স্বাস্থ্য-কৰ্মীসকলে আৰম্ভ কৰিছে তিনিদিনীয়া অসহযোগ আন্দোলন কাৰ্যসূচীৰ। সম-কামৰ সম-দৰমহা দিয়াৰ লগতে ঠিকাভিত্তিক স্বাস্থ্য-কৰ্মীসকলৰ অন্যান্য মৌলিক দাবীৰ সমৰ্থনত গ্ৰহণ কৰা হৈছে এই কাৰ্যসূচী। সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থাই আহ্বান জনোৱা এই আন্দোলন কাৰ্যসূচীৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছে এন এইচ এমৰ অধীনত কৰ্মৰত কৰ্মচাৰীসকলে। সমগ্ৰ ৰাজ্যৰ লগতে লাহোৱাল খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত এন এইচ এমৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে কৰ্মবিৰতি পালন কৰিছে। স্থায়ী নিযুক্তি প্ৰদান কৰা, সপ্তম দৰমহা আয়োগ প্ৰয়োগ কৰাকে ধৰি বিভিন্ন দাবী লৈ এই কৰ্মবিৰতি পালন কৰিছে। দাবীসমূহ পূৰণৰ বাবে তিনিদিনীয়া ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰাৰ কথা জনাইছে।

# দায়িত্ব লৈয়ে মাটি বেদখলত নামিল বিজেপিৰ জিলা সভাপতি!

## ৰঞ্জিত ৰায়ৰ কাণ্ডক লৈ সমগ্ৰ ধুবুৰী জিলাত তীব্ৰ চাঞ্চল্য

**ই-সংবাদ, গোলকগঞ্জ, ৫ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলা বিজেপিৰ নৱ-নিৰ্বাচিত সভাপতি ৰঞ্জিত কুমাৰ ৰায়ে দায়িত্ব লৈয়ে ভূমি বেদখলত নামি পৰা ঘটনাই সমগ্ৰ গোলকগঞ্জ অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, দক্ষিণ টোকৰেৰছৰা দ্বিতীয় খণ্ড গাঁৱৰ ২৮৭, ১৯৬ আৰু ২৩৭ নম্বৰৰ পুৰণি দাগৰ প্ৰায় পাঁচ বিঘা মাটি ১৯৬৮ চনত ৰঞ্জিত কুমাৰ ৰায়ৰ পিতৃ প্ৰয়াত কমলাকান্ত ৰায়ে বিক্ৰী কৰিছিল সৰোজিনী বালা ৰায়ক। সৰোজিনীক দলিলত কবলা দিয়ে যদিও নামজাৰি কৰি ন'লৈ কবলা সূত্ৰে বিক্ৰী কৰে পবিত্ৰ ৰায়ৰ ওচৰত। ১৯৯৭ চনত পবিত্ৰ ৰায়ে আকৌ উক্ত অংশৰ ১২৩৪ নং দাগৰ এক বিঘা চাৰি কালি মাটি বিক্ৰী কৰে গাঁওখনৰ মিন্টু ৰায়, ভাতৃ উমানন্দ ৰায়, পিতাম্বৰ ৰায় আৰু পৰেশ ৰায়ক। ধন আৰু সময়ৰ অভাৱত ইমানদিনে নামজাৰি কৰা নাছিল। কবলা সূত্ৰে ক্ৰয় কৰাত পট্টা প্ৰয়াত কমলাকান্ত ৰায়ৰ নামতে আছিল। উত্তৰাধিকাৰী সূত্ৰে সেয়ে পিতৃয়ে বিক্ৰী কৰা মাটি নিজৰ বুলি দাবী কৰে ৰঞ্জিত কুমাৰ ৰায়ে। শাসনাধিষ্ঠ বিজেপি দলৰ জিলা সভাপতিৰ দায়িত্ব লাভ কৰাৰ পিছত ক্ষমতাৰে বলীয়ান হৈ পৰে। দলীয় ক্ষমতা ব্যৱহাৰ কৰি আজি ৰাজহ চক্ৰ বিষয়া, মণ্ডল কাননগো আৰু অস্ত্ৰ-শস্ত্ৰ কন্দুৱা গেছেৰে সুসজ্জিত আৰক্ষীৰ বিশাল বাহিনী লৈ ভূমিৰ সীমা নিৰ্ধাৰণ কৰি দখল কৰিবলৈ আহে। অকল চৰকাৰী বাহিনীয়ে নহয়, লগত যাঠি-জোঙেৰে সুসজ্জিত ভেৰোণীয়া গুণ্ডা বাহিনী লগত লৈ অহাৰ অভিযোগ উত্থাপিত হৈছে। অৱশ্যে স্থানীয় মুৰব্বীসকলে ভেৰোণীয়া বাহিনীক আলোচনা কৰি ঘূৰাই পঠায়। বিজেপিৰ জিলা সভাপতি ৰঞ্জিতৰ আক্ৰমণাত্মক ভূমিকাত স্থানীয় ৰাইজৰ লগতে ক্ষুব্ধ হৈ পৰে কোচৰাজবংশী জনগোষ্ঠীয় বিভিন্ন সংগঠন। নেতাসকলে জনগোষ্ঠীয় লোকৰ প্ৰতি বিজেপি নেতাৰ আগ্ৰাসন ভূমিকাত অসন্তুষ্টি প্ৰকাশ কৰে। বিজেপিৰ নেতাৰ মাফিয়াগিৰি চলি থাকিলে আক্ৰাছু, চিলাৰায় সেনা বহি নাথাকে বুলি হুংকাৰ দিয়ে। সাধাৰণ ৰাইজৰ মতে বিজেপিৰ বাবে একমাত্ৰ গোলকগঞ্জ সমষ্টিয়ে নিৰাপদ স্থান। ৰঞ্জিত ৰায় সভাপতি হৈয়ে ক্ষমতাৰ যেনেদৰে অপব্যৱহাৰ আৰম্ভ কৰিছে দলৰ বাবে আগন্তুক দিনত অশনি সংকেত কঢ়িয়াই আনিব। ৰঞ্জিত ৰায়ৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে স্থানীয় ৰাইজে মুখ্যমন্ত্ৰীৰ ওচৰত দাবী জনাইছে। অন্যথা ইয়াৰবাবে আগন্তুক নিৰ্বাচনত পৰিণাম ভুগিব লাগিব বুলিও ৰাইজ মন্তব্য কৰে।

# লোহাৰঘাটত শিল্পী বগেজাৰীক সশ্ৰদ্ধ স্মৰণ



**ই-সংবাদ, মিৰ্জা, ৫ মাৰ্চঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত লোহাৰঘাটস্থিত আঞ্চলিক আৰছুৰ কাৰ্যালয় চৌহদত অৱস্থিত আজন্ম শিল্পী ৰাজকন্যা বগেজাৰীৰ আবক্ষ মূৰ্তিৰ অলপতে প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা সাহিত্য সভাৰ উদ্যোগত আয়োজিত অনুষ্ঠানটিত বগেজাৰীৰ আবক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন কৰে লোকসংস্কৃতিৰ সাধক ভুবিন ৰাভাই। তদুপৰি পুষ্পাঞ্জলি আৰু মাল্যাৰ্পণ কৰে কামৰূপ জিলা ৰাভা সাহিত্য সভাৰ উপ-সভাপতি অমৃত ৰাভাই। নিজ নিজ ভাষণত দুয়োগৰাকী বিশিষ্ট ব্যক্তিয়ে আজন্ম শিল্পীগৰাকীৰ মহামণ্ডিত গৰিমাৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানটিৰ আঁতধৰে আঞ্চলিক ৰাভা সাহিত্য সভাৰ সম্পাদক দেৱজিত ৰাভাই। তদুপৰি উক্ত অনুষ্ঠানটিত কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক অশোক নংবাগ, আঞ্চলিক ৰাভা সাহিত্য সভাৰ সভাপতি গোপীনাথ ৰাভা, আঞ্চলিক আৰছুৰ সভাপতি সুভাষ চিনালৰ উপৰি কুলদীপ ৰাভা, ৰবিৰাম ৰাভাকে ধৰি কেইবাগৰাকীও জাতীয় সংগঠনৰ নেতা-কৰ্মী উপস্থিত আছিল।

# কেন্দ্ৰীয় বাজেট সন্দৰ্ভত মাজুলীত বিজেপিৰ নাগৰিক সভা

**ই-সংবাদ, মাজুলী, ৫ মাৰ্চঃ** ইতিমধ্যে দাখিল কৰা কেন্দ্ৰীয় বাজেট ২০২৫-২০২৬ ওপৰত আজি মাজুলী জিলা বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত এক সংবাদমেল সম্বোধন কৰে ৰাজ্যিক বিজেপিৰ উপ-সভাপতি অজয় কোঁৱৰে। প্ৰতাপ বৰুৱাই আঁতধৰা সংবাদমেলখনত ৰাজ্যিক বিজেপিৰ উপ-সভাপতি অজয় কোঁৱৰে বাজেটখন সৰ্বসাধাৰণ ৰাইজৰপৰা পুঁজিপতি শ্ৰেণীলৈকে সকলোকে সামৰি এখন জনমুখী বাজেট হিচাপে পৰিগণিত হৈছে বুলি সংবাদমেলত অৱগত কৰে। লগতে কয়-- বিজেপি চৰকাৰে সবকা সাথ সবকা বিকাশ নীতিৰে জনসাধাৰণৰ কল্যাণৰ বাবে কাম কৰিছে আৰু বাজেটখনো সকলোৰে উন্নয়নৰ বাবে প্ৰস্তুত কৰাৰ হৈছে। দেশখনৰ মধ্যবিত্ত নাগৰিকসকলকো সকাহ দিয়াৰ ব্যৱস্থা কৰিছে বাজেটখনে বুলি উল্লেখ কৰি তেওঁলোকৰ টেক্স নাইকিয়া কৰিছে বুলি উল্লেখ কৰে। লগতে কয়-- বাজেটখনে উদ্যোগৰ কাৰণে অসমৰ বাবে খৰচ কৰিব। ৰে'লৰে, সামাজিক বিকাশৰ কাৰণে, কৃষিখণ্ডৰ বাবে, বিজ্ঞান-প্ৰযুক্তিৰ দিশত, আধ্যাত্মিকতাৰ দিশ, সকলো জাতি-জনগোষ্ঠীৰ কাৰণে বাজেটে আশাৰ বতৰা কঢ়িয়াই আনিছে। ঐতিহাসিক বাজেটক অসমৰ বিজেপি চৰকাৰে আদৰি লৈছে। ৰাইজেও বাজেটখন গ্ৰহণ কৰিব বুলি সংবাদ মেলত উল্লেখ কৰে। বাজেট সম্পৰ্কত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত ৰাজ্যিক বিজেপিৰ উপ-সভাপতি অজয় কোঁৱৰে কোনোধৰণৰ মন্তব্য দিয়া দেখা নগল। তাৰ বিপৰীতে উপ-সভাপতিগৰাকীয়ে সাংবাদিকে সোধা প্ৰশ্নকেইটা মোৰ দৃষ্টিলৈ অহা নাই বুলি মন্তব্য কৰে। সংবাদমেলখনত মাজুলী জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী, মনোজ বৰা, ৰঞ্জন মহন্ত উপস্থিত থাকে। ইয়াৰ পূৰ্বে উক্ত ভৱনতেই অনুষ্ঠিত এখন নাগৰিক সভাত জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী, ৰাজ্যিক বিজেপিৰ উপ-সভাপতি অজয় কোঁৱৰ, ৰাজেন বৰা, কৰুণা বৰা, জিতেন ডেকাসহ বহুকেইগৰাকী সমল ব্যক্তিয়ে বাজেটখনৰ ওপৰত ৰাইজৰ আগত বাজেটৰ ইতিবাচক দিশবিলাক দাঙি ধৰে।



**বৰপেটা জিলাৰ বাৰাড়ীত অনুষ্ঠিত কৃষক প্ৰদৰ্শনীৰ এক দৃশ্য, ফটোঃ ই-সংবাদ, বৰপেটাৰোড**

# লাহৰীঘাটত সাৰ বিতৰকৰ ষড়যন্ত্ৰ, বিষয়াৰ ধনৰ লোভে মাধমাৰ শোধাইছে কৃষকৰ পিঠিত

**ই-সংবাদ, লাহৰীঘাট, ৫ মাৰ্চঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সম জিলাত বৰ্তমান সাৰৰ নামত চলিছে ব্যাপক লুণ্ঠন। এফালে সাৰৰ বিতৰকসকলৰ ষড়যন্ত্ৰ আৰু আনফালে একাংশ প্ৰশাসনীক বিষয়াৰ উৎকোচৰ খকৰ বলি হৈছে সাধাৰণ কৃষকসকল। যাৰবাবে ৩০০- ৩৫০ টকাত পাবলগা এক বেগ ইউৰিয়া সাৰ কৃষকে ৫০০ টকা দিলেহে লাভ কৰিবলৈ সক্ষম হৈছে যদিও সম্প্ৰতি ৫০০ টকা দিয়াৰ পাছতো কৃত্ৰিম নাটনিৰ বাবে প্ৰয়োজনীয় সাৰৰপৰা বঞ্চিত হৈছে কৃষকসকল। ইফালে, ইয়াৰ মাজতে ভোটৰ ওপৰত দানহ পৰাদি লাহৰীঘাট সম জিলাৰ এজন প্ৰশাসনীক বিষয়াই মোনাত ৫০ টকীয়া তলা লৈ সাৰৰ দোকানে দোকানে ঘূৰি সামান্য উজুহাত দেখুৱাই সঘনে ক্ষুদ্ৰ সাৰ দোকানীৰ দোকানত তলা ওলমাই ধনৰ বিনিময়ত পিছদিনাই তলা খুলি দিয়াৰ অভিযোগে চাঞ্চল্যৰ সৃষ্টি কৰিছে। নাম প্ৰকাশৰ পৰা বিৰত থকা একাংশ সাৰৰ ক্ষুদ্ৰ ব্যৱসায়ীয়ে কৰা অভিযোগ মতে, ক্ষুদ্ৰ সাৰ দোকানীৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে লাহৰীঘাট সম জিলাৰ এজন প্ৰশাসনীক বিষয়াই। যাৰবাবে বহু ক্ষুদ্ৰ সাৰ দোকানীয়ে দিনত দুই-তিনি ঘণ্টা সাৰৰ দোকান খুলি বাকী সময়খিনি প্ৰশাসনিক বিষয়াজনৰ উৎকোছৰ খকৰ বলি হোৱাৰ ভয়ত দোকান বন্ধ ৰখাৰ দৰে পৰিৱেশৰ সৃষ্টি হৈছে। বিগত সপ্তাহত লাহৰীঘাট সম জিলা এলেকাৰ বহুকেইখন ক্ষুদ্ৰ সাৰৰ দোকানৰপৰা প্ৰশাসনীক বিষয়াজনৰ নেতৃত্বত অহা এটি দলে ৫০ হাজাৰৰপৰা ৭০ হাজাৰ পৰ্যন্ত উৎকোচ আদায় কৰাৰ অভিযোগে লাহৰীঘাটত চাঞ্চল্যৰ সৃষ্টি কৰিছে। হাতত ৫০ টকীয়া তলা লৈ ক্ষুদ্ৰ সাৰ ব্যৱসায়ীসকলৰ নিদ্ৰা হৰণ কৰা এইজন কোন প্ৰশাসনীক বিষয়া সেয়া জিলা আয়ুক্তই তদন্ত কৰিলেই পোহৰলৈ আহিব বুলি একাংশ কৃষকে মন্তব্য কৰিছে। উল্লেখ্য যে এনেদৰে উৎকোচৰ বিনিময়ত নিশাৰ ভিতৰতে সাৰৰ দোকানৰ তলা খুলিবলৈ সক্ষম হোৱা ব্যৱসায়ীসকলে কৃষকৰ মূৰতে যে মাধমাৰ সোধাব সেয়া নিশ্চিত। ইফালে, অন্য এক অভিযোগ মতে, লাহৰীঘাটৰ প্ৰভাৱশালী সাৰৰ বিতৰকসকলে বিভিন্ন সাৰ কোম্পানীৰ পৰিচালনাৰ দায়িত্বত থকা বিষয়াসকলক মেনেজ কৰি সাৰৰ আমদানি দুই-তিনি দিনৰ বাবে বন্ধ ৰাখি সাৰৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি সাৰৰ দাম নিশাৰ ভিতৰতে বৃদ্ধি কৰে। বৰ্তমান বৰো ধান আৰু মাকৈ খেতিৰ বাবে সাৰৰ যথেষ্ট প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি কি বিতৰক কি প্ৰশাসনীক বিষয়া সকলোৱে এনেদৰে নিজা নিজা কৌশলেৰে জাল পেলোৱাত কৃষকসকল বিপদত পৰিছে। খেতিত সময়মতে সাৰ প্ৰয়োগ কৰিব নোৱাৰিলে কৃষিৰ উৎপাদন যথেষ্ট হ্ৰাস পোৱাৰ আশংকাত ৩০০ টকাৰ সাৰ কৃষকে ৫০০ টকাত ক্ৰয়ৰ বাবে সাৰৰ দোকানত শাৰিপাতিবলৈ বাধ্য হৈছে লাহৰীঘাটৰ বিভিন্ন প্ৰান্তত।

# হাজো ৰাজহ চক্ৰত ভূ-মাফিয়াৰ দৌৰাত্ম্য, গৰাকীৰ অজ্ঞাতে একেখিনি মাটিকে তিনিবাৰকৈ বিক্ৰী

**ই-সংবাদ, শুৱালকুছি, ৫ মাৰ্চঃ** ৰাজ্য চৰকাৰৰ নিৰ্দেশত অসম আৰক্ষীয়ে একেনিশাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰপৰা মাটিৰ দালাল আৰু ভূ-মাফিয়াক আটক কৰি চৰকাৰে একপ্ৰকাৰে চমক সৃষ্টি কৰিছিল। কিন্তু ৰাজ্য চৰকাৰৰ দাদাল তথা ভূ-মাফিয়াৰ বিৰুদ্ধে চলা অভিযান অসাৰ কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে হাজো ৰাজহ চক্ৰৰ কাৰ্য্যালয়তো পুনৰ ভূ-মাফিয়া তথা দাদাল চক্ৰই গা কৰি উঠিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী ৰাইজ তথা দল-সংগঠনে। শেহতীয়াভাৱে কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সানপাৰা ৰাজহ গাওঁত মাটিৰ প্ৰকৃত গৰাকীৰ অজ্ঞাতে ভূ-মাফিয়া তথা মাটিৰ দালাল চক্ৰই একাংশ চৰকাৰী দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী সহযোগত অতি কৌশলৰে তিনি মাহৰ ভিতৰত এডোখৰ ভূমি তিনিগৰাকী ব্যৱসায়ীৰ হাতত বিক্ৰী কৰাৰ তথ্য শেহতীয়াকৈ পোহৰলৈ আহিছে। উল্লেখ্য সানপাৰা ৰাজহ গাঁৱৰ মাজেৰে অসম চৰকাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নৱনিৰ্মীত শুৱালকুছি-পলাশবাৰী সংযোগী দলং নিৰ্মাণকাৰ্য চলি থকাৰ মাজতে উক্ত অঞ্চলৰ খিলঞ্জীয়াৰ কৃষিভূমিত স্থানীয় একাংশ ভূ-মাফিয়াৰ সহযোগত বহিৰাগত বণিকগোষ্ঠীৰ শেনচকু পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, প্ৰথমে হাজো ৰাজহ চক্ৰ কাৰ্য্যালয়ত সানপাৰা ৰাজহ গাঁৱত থকা ভূমিৰ প্ৰকৃত গৰাকীৰ নামৰ ঠাইত এগৰাকী অন্য লোকৰ নামত জালিয়াতিৰে মাটিখিনি নামজাৰি কৰি লয়। সানপাৰা গাঁৱত থকা দাগ নং ৩৯৮ দাগৰ ২ বিঘা ৪ কঠা ১৮ লেচা ভূমিৰ প্ৰকৃত গৰাকী হৈছে জগত চন্দ্ৰ কেওঁট। কিন্তু উক্ত ভূমি ভাৰত দাসে একাংশ দালাল তথা ভূ-মাফিয়াৰ সহায়ত নিজৰ বুলি কৈ জালিয়াতিৰে উত্তৰাধিকাৰী সূত্ৰে নামজাৰি কৰে। প্ৰকৃততে ভৰত দাসৰ নামত উক্ত অঞ্চলত কোনোধৰণৰ মাটিয়েই নাই। কিন্তু দালালে ভৰত দাসৰ নামত নামজাৰি কৰাৰ পিছতে মাটিখিনি বিক্ৰী কৰে তিনিগৰাকীকৈ মাটি ব্যৱসায়ীৰ ওচৰত। এই কথা নিজমুখে স্বীকাৰ কৰিছে জালিয়তিৰে ভূমি বিক্ৰী কৰা ভৰত দাসে। এইক্ষেত্ৰত ভৰত দাসক সহযোগ কৰিছিল নয়ন ঠাকুৰীয়া আৰু গজেন গজ নামৰ দুই দালালে। মাটিডোখৰ নামজাৰি কৰা সময়ত গাঁওপ্ৰধানকো বিপথে পৰিচালিত কৰা কথা সংবাদ মাধ্যমৰ সন্মুখত স্বীকাৰ কৰিছে গাঁওপ্ৰধানে। অৱশ্যে ভূমিৰ প্ৰকৃত গৰাকীয়ে এইক্ষেত্ৰত হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত অভিযোগ দিয়াত লাটমণ্ডলে ভুলবশতঃ নামজাৰি হোৱা বুলি কৈ পুনৰ ভূমিৰ প্ৰকৃত গৰাকীৰ নামত নামজাৰি কৰাই দিয়ে। উল্লেখ্য, হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত এনেদৰে জালিয়াতিৰে ভূমি বিক্ৰীৰ ঘটনা ঘটি আহিছে যদিও আজিলৈকে এগৰাকীও দালাল তথা দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা লোৱা নাই কামৰূপ জিলা প্ৰশাসনে। হাজো ৰাজহ চক্ৰৰ চক্ৰ-বিষয়া তথা কামৰূপ জিলা প্ৰশাসনৰ তদন্তহে ওলাই পৰিব এনেধৰণৰ ঘটনাৰ প্ৰকৃত ৰহস্য। এইক্ষেত্ৰত চমক সৃষ্টিকাৰী চৰকাৰখনে কি ভূমিকা লয় সেয়াও হ'ব লক্ষণীয়।

# বৰপেটাত ৰোগীৰ হাহাকাৰ, স্বাস্থ্যকৰ্মীৰ কৰ্মবিৰতি অব্যাহত

**ই-সংবাদ, বৰপেটাৰোড, ৫ মাৰ্চঃ** সমগ্ৰ ৰাজ্যজুৰি তিনিদিনীয়া সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থা, এন এইচ এম, অসমৰ কৰ্মবিৰতি অব্যাহত আছে। সমান্তৰালকৈ বৰপেটাৰোড অসামৰিক চিকিৎসালয়ত এন এইচ এম চিকিৎসা কৰ্মীৰ কৰ্মবিৰতিৰ ফলত বৰপেটাৰোডত ৰোগীৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। আজি দ্বিতীয় দিনাও এন এইচ এম চিকিৎসা কৰ্মীৰ কৰ্মবিৰতি অব্যাহত আছে। যাৰফলত অচলাৱস্থাৰ সৃষ্টি হৈছে ৰাজ্য চিকিৎসা খণ্ডত। চিকিৎসক-কৰ্মীৰ অভাৱত ঘূৰি যাবলগীয়া হোৱা ৰোগীসকল যথেষ্ট কষ্টৰ সন্মুখীন হৈছে। বৰপেটাৰোড অসামৰিক চিকিৎসালয়ত কৰ্মীৰ কৰ্মবিৰতিৰ বাবে চিকিৎসালয়খনত নাই চিকিৎসক, ফাৰ্মাচিষ্ট, নাৰ্ছ। আজি বৰপেটাৰোড ব্লক পি এইচ চিৰ বৰপেটাৰোড অসামৰিক চিকিৎসালয় কাৰ্যালয় চৌহদত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে কেইবাটাও দাবীৰ ভিত্তিত পালন কৰা কৰ্মবিৰতি কাৰ্যসূচীত বিভিন্ন শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। সাংবাদিকৰ আগত বৰপেটাৰোড অসামৰিক চিকিৎসালয়খনৰ উপ-অধীক্ষক ডাঃ সঞ্জীৱ সৰকাৰ আৰু এছ ডি এম এণ্ড এইচ অ' ডাঃ কমলেশ্বৰ দাসে জনায় যে চিকিৎসালয়খনত এন এইচ এম কৰ্মীসকল নথকাত যথেষ্ট কষ্টৰ সন্মুখীন হৈছে। আনহাতে, বৰপেটাৰোড খণ্ড প্ৰাথমিক চিকিৎসালৰ এন এইচ এম কৰ্মী সন্থাৰ সভাপতি ডাঃ ছাজাহান আলী খানে জনায় তেওঁলোকে কোভিড কালত নিজৰ জীৱনৰ প্ৰতি শংকা নাৰাখি সেৱা আগবঢ়াই গৈছিল। স্থায়ী চিকিৎসকসকলৰ সমানেই সেৱা আগবঢ়াই আহিছে যদিও সেইক্ষেত্ৰত তেওঁলোক সকলো সুবিধাৰপৰা বঞ্চিত। তেওঁলোকৰ দাবীসমূহ হল-- বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ জৰিয়তে এন এইচ এম কৰ্মচাৰীসকলক ৰাজ্যৰ স্বাস্থ্য বিভাগৰ স্থায়ী পদ তথা নতুনকৈ স্থাপিত মেডিকেল কলেজ তথা অন্যান্য চিকিৎসালয়সমূহত সৃষ্টি হ'বলগীয়া পদবীসমূহৰ বিপৰীতে নিযুক্তি দিয়া, চাকৰি নিয়মীয়া নোহোৱালৈকে এন এইচ এমত কৰ্মৰত সকলোধৰণৰ কৰ্মচাৰীলৈ পে'-স্কেল ব্যৱস্থা কাৰ্যকৰী কৰি বেতন সুৰক্ষাসহ সপ্তম দৰমহা আয়োগৰ মতে ২০১৬ চনৰ জানুৱাৰী মাহৰ ১ তাৰিখৰপৰা দৰমহা তথা বকেয়া দৰমহা আদায়ৰ ব্যৱস্থা কৰা তথা ৰাজ্যিক কৰ্মচাৰীৰ সমহাৰত অন্যান্য সা-সুবিধাসমূহ প্ৰদান কৰা, চাকৰি নিয়মীয়া নোহোৱালৈকে ২০২১ চনৰ Gazette Notification, No: HLA.409/2020/Pt/55 সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা। ৰাজ্য চৰকাৰৰ নিয়মীয়া কৰ্মচাৰীৰ সমহাৰত গ্ৰেচুইটী, সমহাৰত পেঞ্চন, সমহাৰত Death Benefit, সমহাৰত Leave Policy, সমহাৰত স্বাস্থ্য বীমা যোজনা, সমহাৰত বেংক লোণ আৰু অন্যান্য সা-সুবিধাসমূহ সমহাৰত প্ৰদান কৰা, চাকৰি নিয়মীয়া নোহোৱালৈকে উচ্চতম ন্যায়ালয়ৰ ৰায় Verdict No. 213 of 2013 তথা GUIDELINES ON HUMAN RESOURCES FOR HEALTH FOR NATIONAL HEALTH MISSION (NHM)-2022 অনুসৰি সম-কামৰ সম-দৰমহা আৰু সম-অধিকাৰ প্ৰদান কৰা।

# জোনাক নিবিড় শীৰ্ষক গীত উন্মোচন

**ই-সংবাদ, মাজুলী, ৫ মাৰ্চঃ** মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ তেজস্বিতা শিল্পশালাত আজি আয়োজন কৰা এক অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱাই সুৰ কৰা 'জোনাক নিবিড়' শীৰ্ষক গীতটো আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। এই উপলক্ষে বিশ্ববিদ্যালয়ৰ সহকাৰী গ্ৰন্থাগাৰিক শেখৰজ্যোতি নেওগে আঁতধৰা অনুষ্ঠানত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই গীতটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। গীতটো উন্মোচন কৰি ড° শইকীয়াই গীতটো সকলোৰে সমাদৃত হ'ব বুলি উল্লেখ কৰে। সুগায়ক ৰূপম ভূঞাৰ কণ্ঠদান কৰা গীতৰ কথা পদ্মশ্ৰী নলিনীবালা দেৱীৰ। গীতটিৰ মিউজিক ভিডিঅ' কৰিছে 'বৰনদী ভটিয়াই' আৰু অন্যান্য বোলছবিৰ জনপ্ৰিয় অভিনেতা আৰু পৰিচালক ড° অনুপম কৌশিক বৰাই। গীত উন্মোচনৰ পূৰ্বে বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ চন্দ্ৰ বৰাই আদৰণি ভাষণ আগবঢ়াই আৰু উপাচাৰ্য ড° নিৰোদ বৰুৱাই গীতটোৰ সম্পৰ্কে ব্যাখ্যা দাঙি ধৰে। পিছত দৃশ্য-শ্ৰাব্য গীতটোৰ শ্লাইডত সকলোৱে উপভোগ কৰি আপ্লুত হয়। গীতটোত অভিনয় কৰিছে ড° অনুপম কৌশিক বৰা, গাৰ্গী শইকীয়া, গায়ত্ৰী শইকীয়া আদিয়ে। গীতটোক সৰ্বস্তৰৰ শ্ৰোতা-দৰ্শকে আদৰি ল'ব বুলি আশা কৰিছে উন্মোচকসকলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ডকমকাত চণ্ডী মহাজ্ঞান যজ্ঞৰ আয়োজন

**ই-সংবাদ, হাওৰাঘাট, ৫ মাৰ্চঃ** চিৰসেউজ কাৰ্বি আংলং জিলাৰ মহামায়া পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ডকমকাৰ কাছজানত অৱস্থিত মা দুৰ্গা মন্দিৰত আজিৰেপৰা ন-দিনীয়া ধাৰ্মিক কাৰ্যসূচীৰে যত্ত চণ্ডী মহাজ্ঞান যজ্ঞৰ শুভাৰম্ভ হৈছে। উক্ত অনুষ্ঠানত পুৱাৰ কাৰ্যসূচী অনুযায়ী গংগা আহ্বান কৰি পূজাৰ ঘটত পানী তুলি অনা হয়। ইয়াৰ লগে লগে ধৰ্মীয় ৰীতি-নীতিৰে পূজা-পাৰ্বণ অনুষ্ঠিত কৰি পণ্ডিত পৰশুৰাম উপাধ্যায়ে দুৰ্গা মন্দিৰৰ দুৱাৰ উদঘাটন কৰে। দিনৰভাগৰ পৰা মাংগলিক নিয়মৰ অধীনত পূজা আৰু মহাজ্ঞান যজ্ঞৰ কাৰ্যসূচী অব্যাহত ৰাখে। তদুপৰি ন-দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীত প্ৰত্যেক দিনাই মাংগলিক পূজা, চণ্ডীপাঠ আৰু মহাজ্ঞান যজ্ঞৰ পবিত্ৰ কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। বিশ্বশান্তি আৰু সনাতন ধৰ্মৰ ৰক্ষাৰ হেতু আয়োজন কৰা সমগ্ৰ মহাজ্ঞান যজ্ঞত সমূহ ভক্তিপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰে আয়োজক সমিতিয়ে।



**লাহোৱালত স্বাস্থ্যকৰ্মীৰ প্ৰতিবাদ অব্যাহত**

# কাকপথাৰত পাঠ্যক্ৰম সম্পৰ্কীয় সজাগতা সভা সম্পন্ন

**ই-সংবাদ, কাকপথাৰ, ৫ মাৰ্চঃ** তিনিচুকীয়া জিলাৰ পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাকপথাৰত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত আজি দুপৰীয়া ১ বজাত মহাবিদ্যালয় প্ৰাংগণত নামভৰ্তি সম্পৰ্কীয় এখনি সজাগতা সভা অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ঠানুৰাম মজিন্দাৰে আদৰণী ভাষণ প্ৰদান কৰা উক্ত সভাত কাকপথাৰ প্ৰেছ ক্লাব, সদৌ মৰাণ ছাত্ৰ সন্থাৰ ডিৰাক আঞ্চলিক সমিতি আৰু মাৰ্ঘেৰিটা-পেঙেৰী আঞ্চলিক সমিতি, কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থা, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ ডিৰাক আঞ্চলিক সমিতি, সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ ডিৰাক আঞ্চলিক সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ ডিৰাক আঞ্চলিক সমিতি, কপাহতলী যুৱ সংঘ আদিৰ বিষয়ববীয়াকে ধৰি চুবুৰীয়া শিক্ষানুষ্ঠানসমূহৰ শিক্ষক-শিক্ষয়িত্ৰী, মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অধ্যয়ন কেন্দ্ৰৰ শিক্ষাৰ্থী, সংবাদ মাধ্যম তথা সামাজিক মাধ্যমৰ লগত জড়িত ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। সভাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ সহকাৰী অধ্যাপক ডঃ দিপাংকৰ মালাকাৰে বিশ্ববিদ্যালয়ৰ অধীনৰ মুক্ত আৰু দূৰ শিক্ষাৰ বিভিন্ন পাঠ্যক্ৰম তথা ইয়াৰ প্ৰাসংগিকতা সম্পৰ্কে বাখ্যা দাঙি ধৰে। তদুপৰি কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি বিজয় দত্তই মহাবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰত শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণ বৃদ্ধি কৰিবলৈ সকলো শ্ৰেণী ৰাইজৰ সহযোগিতাৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক তথা মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বিতুৰাজ গোহাঁয়ে আঁতধৰা অনুষ্ঠানটিৰ শেষত ইতিমধ্যে চলি থকা স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীৰ বিভিন্ন পাঠ্যক্ৰমত নামভৰ্তি কৰিবলৈ ইচ্ছুক শিক্ষাৰ্থীক মহাবিদ্যালয়ৰ সৈতে অতি শীঘ্ৰে যোগাযোগ কৰিবলৈ আহ্বান জনায়।

# ৰঙিয়াত স্বাস্থ্যকৰ্মীৰ প্ৰতিবাদ অব্যাহত

**ই-সংবাদ, ৰঙিয়া, ৫ মাৰ্চঃ** ৰাজ্যৰ ভিন্নপ্ৰান্তৰ সমান্তৰালভাৱে ৰঙিয়াতো আজি দ্বিতীয় দিনৰ বাবে এন এইচ এম স্বাস্থ্যকৰ্মীসকলে কৰ্মবিৰতি পালনৰে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখে। ৰঙিয়াৰ আদৰ্শ চিকিৎসালয় চৌহদত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত কৰ্মৰত চিকিৎসক তথা কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণকে ধৰি কেইবাটাও দাবীত কৰ্ম বিৰতি পালন কৰে। প্ৰতিবাদ কালত সপ্তম দৰমহা আয়োগৰ অধীনত দৰমহা নিৰ্ধাৰণৰো দাবী উত্থাপন কৰে স্বাস্থ্যকৰ্মীসকলে। ঠিকাভিত্তিক নিযুক্তি লাভ কৰি ৰাজ্যৰ স্বাস্থ্যখণ্ডত সেৱা আগবঢ়াই অহা এন এইচ এমৰ অধীনৰ চিকিৎসক-স্বাস্থ্যকৰ্মীক চৰকাৰে চাকৰি নিয়মীয়াকৰণৰ প্ৰতিশ্ৰুতি দি অহাৰ পাছতো আজিপৰ্যন্ত চাকৰি নিয়মীয়া নকৰাৰ অভিযোগ উত্থাপন কৰে প্ৰতিবাদকাৰী স্বাস্থ্য কৰ্মীসকলে। ইফালে, স্বাস্থ্য কৰ্মীসকলৰ কৰ্মবিৰতি পালনৰ ফলত বিভিন্ন ৰোগাক্ৰান্ত লোকে ব্যাপক অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়।

# সাহিত্যিক নগেন শইকীয়াৰ সহধৰ্মিনী লাৱণ্য শইকীয়াৰ আদ্য শ্ৰাদ্ধত স্মাৰক গ্ৰন্থ উন্মোচন

**ই-সংবাদ, ডিব্ৰুগড়, ৫ মাৰ্চঃ** প্ৰথিতযশা সাহিত্যিক, মিতভাষৰ স্ৰষ্টা ড° নগেন শইকীয়াৰ সহধৰ্মিনী লাৱণ্য শইকীয়াৰ আদ্যশ্ৰাদ্ধ উপলক্ষে তেখেতৰ জীৱন-কৃতি আৰু বিভিন্নজন গুণমুগ্ধৰ লিখনিৰে সমৃদ্ধ স্মাৰক গ্ৰন্থ 'স্মৰণ-অঞ্জলি' আজি (৫-৩-২৫) উন্মোচন কৰা হয়। 'অধ্যাপক নগেন শইকীয়া সাৰস্বত ন্যাস'ৰ হৈ কৌস্তুভ প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত আৰু ন্যাসৰ প্ৰচাৰ সম্পাদক ৰতন হাজৰিকাই সম্পাদনা কৰা গ্ৰন্থখনি উন্মোচন কৰে ন্যাসৰ সভাপতি তথা ডিব্ৰুগড় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য, শিক্ষাবিদ ড° কন্দৰ্প কুমাৰ ডেকাই। উন্মোচনী ভাষণত ড° ডেকাই বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়াৰ সৃষ্টিৰাজিৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংবৰ্ধনৰ বাবে ন্যাসক যি বৌদ্ধিক সম্পত্তি প্ৰয়াত লাৱণ্য শইকীয়াই দান কৰি গ'ল তাৰবাবে কৃতজ্ঞতাৰে



স্মৰণ কৰি তেখেতৰ চিন্তাক বাস্তৱায়িত কৰাৰ বাবে ন্যাসে কাম কৰি যোৱাৰ সংকল্প গ্ৰহণৰ লগতে এইক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। গ্ৰন্থখনিৰ সম্পাদকে আঁতধৰা আৰু স্বামী ড০ নগেন শইকীয়াকে ধৰি পৰিয়ালবৰ্গ, ন্যাসৰ বিষয়ববীয়া, সদস্য-সদস্যাৰ উপস্থিতিত আয়োজিত উক্ত অনুষ্ঠানত প্ৰয়াত লাৱণ্য শইকীয়াৰ গুণমুগ্ধসকল উপস্থিত থাকে।

# তিনিচুকীয়াত ড্ৰাগছসহ এজন যুৱক আটক



**ই-সংবাদ, তিনিচুকীয়া, ৫ মাৰ্চঃ** তিনিচুকীয়াত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ ধাৰাবাহিক অভিযান অব্যাহত আছে।আজি তিনিচুকীয়া সদৰ আৰক্ষীয়ে বিশেষ খবৰৰ ভিত্তিত অভিযান চলাই ড্ৰাগছসহ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজন হৈছে হিজুগুৰিৰ মুন্না শ্বাহ ওৰফে আশিস। ধৃত সৰবৰাহকাৰীজনৰ পৰা আৰক্ষীয়ে ১১.১৩ গ্ৰাম নিষিদ্ধ ড্ৰাগছ জব্দ কৰাৰ লগতে নগদ ৫১,৪০০ টকাও জব্দ কৰে। ধৃত মুন্না শ্বাহৰ পৰা আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহত ব্যৱহৃত এ এছ ২৩ চি ৩৯০০ নম্বৰৰ এখন চেণ্ট্ৰ' বাহনো জব্দ কৰে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে যুৱকজনক আটক কৰি আৰক্ষী থানালৈ লৈ যোৱাৰ লগতে অধিক তথ্যৰ সন্ধানত মাৰাথন জেৰা অব্যাহত ৰাখিছে।

# বৰপেটাৰ কৃষি প্ৰদৰ্শনীত কৃষি উৎপাদনশীলতা বৃদ্ধিত গুৰুত্ব

**ই-সংবাদ, বৰপেটাৰোড, ৫ মাৰ্চঃ** অসমৰ বৰপেটা জিলাৰ বাৰাড়ী গাঁও পঞ্চায়তৰ কাৰ্যালয়ত বুধবাৰে এখন কৃষক প্ৰদৰ্শনী অনুষ্ঠিত হয়, য'ত অভিনৱ কৌশলৰ জৰিয়তে কৃষি উৎপাদনশীলতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। চি এছ এছ, এ টি এম এৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত হোৱা এই প্ৰদৰ্শনীত অতিৰিক্ত জিলা আয়ুক্ত (কৃষি) জয়ন্ত বৰা, মুখ্য বিজ্ঞানী ড° অৰূপ কুমাৰ ডেকা, কেভিকে হাউলী, ডিভিঅ' প্ৰদীপ দাস, ডিএফঅ' বিমল শৰ্মা, আৰু ডিএঅ' মুনিন্দ্ৰ বসুমতাৰী উপস্থিত থাকে। কৃষি বিভাগৰ আঁচনিৰ দ্বাৰা উপকৃত হোৱা প্ৰগতিশীল কৃষকসকলে এখন প্ৰদৰ্শনী স্থাপন কৰে। সভাত ভাষণ দি এডিচি জয়ন্ত বৰাই এনে মঞ্চৰ তাৎপৰ্য্যৰ ওপৰত আলোকপাত কৰি কয় যে এইটোৱে কৃষি বিজ্ঞানী, কৃষি আৰু সংশ্লিষ্ট খণ্ডৰ বিষয়া, প্ৰগতিশীল কৃষক আৰু কৃষিক পেছা হিচাপে লোৱাৰ যুৱ ব্যক্তিৰ বাবে জ্ঞান বিনিময়ৰ কেন্দ্ৰ হিচাপে কাম কৰে। অনুষ্ঠানটোৰ এটা মূল আকৰ্ষণ আছিল বৰপেটা পথৰ কাটাজাৰ পথাৰৰপৰা ৰাষ্ট্ৰীয় কৃষক উদ্ভাৱনী বঁটা বিজয়ী সহদাত হুছেইনৰ অংশগ্ৰহণ। যোৱা ২৪ ফেব্ৰুৱাৰীত নতুন দিল্লীত ভাৰতীয় কৃষি গৱেষণা পৰিষদে সম্বৰ্ধনা জনোৱা হুছেইনে সহযোগী কৃষকসকলৰ সৈতে তেওঁৰ অভিজ্ঞতা আৰু অন্তৰ্দৃষ্টি আলোকপাত কৰে। সভাত জিলাখনৰ প্ৰগতিশীল কৃষকসকলৰ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়, যিয়ে পাছলৈ উপস্থিতসকলৰ সৈতে নিজৰ অভিজ্ঞতা আৰু সফলতাৰ কাহিনী ভাগ-বতৰা কৰে। এই প্ৰদৰ্শনীয়ে কৃষকসকলে বিশেষজ্ঞৰ সৈতে মতবিনিময় কৰাৰ লগতে অঞ্চলটোৰ কৃষি উৎপাদনশীলতা বৃদ্ধিৰ বাবে উদ্ভাৱনী পদ্ধতিৰ সন্ধান কৰাৰ সুযোগ লাভ কৰে।

# 'প্ৰথম এডুকেশ্যন ফাউণ্ডেচন'ৰ সহযোগত নাজিৰাত শৈক্ষিক মেলা সম্পন্ন

**ই-সংবাদ, গেলেকী, ৫ মাৰ্চঃ** অসমৰ চৰকাৰী প্ৰাদেশীকৃত বিদ্যালয়ৰ ক শ্ৰেণীৰ শিশুসকলৰ সৰ্বাংগীন বিকাশৰ লগতে বিদ্যালয়সমূহত শিশুসকলৰ মাতৃ, অভিভাৱক আৰু সমাজৰ লোকসকলক সক্ৰিয় সহযোগিতাৰে প্ৰথম এডুকেশ্বন ফাউণ্ডেচনৰ সহযোগত সমগ্ৰ অসমৰ লগত নাজিৰা শিক্ষাখণ্ডৰ অন্তৰ্গত মেকিপুৰস্থিত ১ নং লাইন প্ৰাথমিক বিদ্যালয়ত এখন শৈক্ষিক মেলাৰ আয়োজন কৰে। পুৱা প্ৰাতঃসভাৰ পিছতে বিদ্যালয়খনৰ সহঃ শিক্ষয়িত্ৰী চৈয়দা ৰাহিদা বেগম তাজে আঁতধৰা উক্ত শিশুমেলা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী সেৱী দাসগুপ্তাই। সহঃশিক্ষয়িত্ৰী ৰাহিদা বেগম তাজ আৰু প্ৰতিভা গগৈৰ তত্বাৱধানত ক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন কাৰ্যসূচীৰ সমাহাৰেৰে আয়োজিত শৈক্ষিক মেলাখন সুন্দৰকৈ সম্পন্ন হয়। শৈক্ষিক মেলাত প্ৰাক্তন ছাত্ৰ চিদান চৰৰ লগতে কেইবাগৰাকী প্ৰাক্তন শিক্ষাৰ্থী উপস্থিত থাকি সহযোগিতা আগবঢ়াই। উক্ত শৈক্ষিক মেলাত নাজিৰাৰ সংবাদ কৰ্মী ভাস্কৰ জ্যোতি মহন্ত অতিথি হিচাপে উপস্থিত থাকে। শৈক্ষিক মেলাৰ সামৰণি পিছত বিদ্যালয়ৰ শিক্ষয়িত্ৰীসকলে অভিভাৱক আৰু স্থানীয় ৰাইজৰ লগত মত-বিনিময় কৰে। আজিৰ এই শৈক্ষিক মেলাই অনাগত দিনত ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

# শিৱসাগৰৰ শিমলুগুৰিত আন্তৰ্জাতিক নাৰী দিৱসৰ ব্যাপক আয়োজন

**ই-সংবাদ, গেলেকী, ৫ মাৰ্চঃ** শিৱসাগৰ জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ এখন বৈঠক শিমলুগুৰি সাহিত্য সভা ভৱনত অনুষ্ঠিত হয়। শিমলুগুৰি শাখা সাহিত্য সভাৰ সভাপতি ইলা মহন বুঢ়াগোঁহায়ে সভাপতিত্ব কৰা সভাত শিৱসাগৰ জিলা সাহিত্য সভাৰ সহকাৰী সাধাৰণ সম্পাদক দেৱযানী শইকীয়া গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰে। ইয়াৰ পাছতে শিৱসাগৰ জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অনিমা ৰাজখোৱাই বক্তব্য আগবঢ়ায়। সভাত আকাশ উপ-সমিতিৰ উদ্যোগত শিমলুগুৰি শাখা সাহিত্য সভাৰ সহযোগত ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱস আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্তদিনা মুকলি সভাত সভাপতিত্ব কৰিব জিলা সাহিত্য সভাখনৰ উপ-সভাপতি ড° জীৱন কলিতাই। নিৰ্দিষ্ট বক্তা হিচাপে কবিসু-লেখিকা, সমাজকৰ্মী, গীতিকাৰ ঊষা শইকীয়া আৰু সন্মানীয় অতিথি হিচাপে শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক মনোজ কুমাৰ গগৈ উপস্থিত থাকিব। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সংগ্ৰামী নাৰী কোমেশ্বৰী সন্দিকৈক উক্ত অনুষ্ঠানতে শিমলুগুৰি শাখা সাহিত্য সভাই সম্বৰ্ধনা জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। দেৱযানী শইকীয়া গগৈয়ে আকাশ উপ-সমিতি আৰু শাখাই কেনেদৰে ভৱিষ্যতে জিলাৰ আৰু শাখাৰ বিভিন্ন স্থানত ন ন কৰ্ম আঁচনিৰে আগবাঢ়ি যাব লাগিব এইসম্পৰ্কে বিশদভাৱে আলোচনা কৰে। উক্ত সৌহাদ্যপূৰ্ণ সভাত শাখাৰ বিষয়ববীয়াসকলে দেৱযানী শইকীয়া গগৈয়ে শিমলুগুৰি শাখা সাহিত্য সভাৰ লগতে আকাশ উপ-সমিতিৰ লগত একেলগে ভাষা-সাহিত্যৰ সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে আনন্দিত বুলি মন্তব্য কৰে আৰু নাৰী দিৱস পালনৰ ক্ষত্ৰত সফলতা কামনা কৰে। শিমলুগুৰি শাখা সাহিত্য সভাৰ সহঃ সম্পাদক আচাবুদ্দিন বৰবৰুৱা, সক্ৰিয় সদস্য দিপালী ৰাজকুমাৰী, ৰূপা চুতীয়া আদিও সভাত উপস্থিত থাকি দিহা-পৰামৰ্শ আগবঢ়াই। জিলা আৰু শাখাৰ সকলো বিষয়ববীয়া উপস্থিত থাকি অনুষ্ঠানটি সফল কৰি তুলিবলৈ সহঃ সম্পাদক দেৱযানী শইকীয়া গগৈ আৰু আকাশ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অনিমা ৰাজখোৱাই আহ্বান জনাইছে ।

# ডিব্ৰুগড়ত মিডিয়া বেডমিণ্টন প্ৰতিযোগিতা

**ই-সংবাদ, ডিব্ৰুগড়, ৫ মাৰ্চঃ** সোণালী জয়ন্তী বৰ্ষত ভৰি দিলে ঐতিহ্যমণ্ডিত ডিব্ৰুগড় প্ৰেছ ক্লাৱে। ১৯৭৫ চনত প্ৰতিষ্ঠা লাভ কৰা ডিব্ৰুগড় প্ৰেছ ক্লাবে সোণালী জয়ন্তী বৰ্ষৰ উপলক্ষে আয়োজন কৰিছে প্ৰথমটো কাৰ্যসূচী। সোণালী জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচীৰ অংশ হিচাপে অহা ৮ আৰু ৯ মাৰ্চত আয়োজন কৰিছে সদৌ অসম ভিত্তিত (প্ৰাইজমানি) মিডিয়া বেডিমন্টন টুৰ্ণামেন্ট। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ ইনডʼৰ ষ্টেডিয়ামত দুদিনীয়াকৈ আয়োজন কৰা মিডিয়া বেডমিণ্টন প্ৰতিযোগিতাখনৰ সামগ্ৰিক প্ৰস্তুতি সন্দৰ্ভত আজি ডিব্ৰুগড়ৰ হোটেল টি কাউণ্টিত অনুষ্ঠিত কৰে এখন সংবাদমেল। ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সভাপতি মানসজ্যোতি দত্ত আৰু সাধাৰণ সম্পাদক ৰিপুঞ্জয় দাসে সংবাদমেলত জানিবলৈ দিয়ামতে, সদৌ অসম (প্ৰাইজমানি) মিডিয়া বেডমিণ্টন প্ৰতিযোগিতাত অসম চৰকাৰৰ জনসংযোগ বিভাগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত বা সংবাদ প্ৰতিষ্ঠানৰ কৰ্মৰত বৈধ পৰিচয় পত্ৰ থকা আৰু প্ৰেছ ক্লাবৰ সদস্য পদ থকা সাংবাদিকৰ বাবেহে মুকলি থাকিব। প্ৰতিযোগিতাখন পুৰুষ আৰু মহিলাৰ ছিংগলছ আৰু ডাবলছ, মিক্সড ডাবলছৰ শিতানত অনুষ্ঠিত হʼব। প্ৰতিযোগিতাৰ বিজয়ী আৰু বিজিত প্ৰতিযোগীক নগদ ধন আৰু ট্ৰফীৰে পুৰষ্কৃত কৰা হʼব। প্ৰতিযোগিতাত যোগদানৰ মাচুল ছিংগলছৰ বাবে ১০০ টকা, ডাবলছৰ বাবে ২০০ টকা ধাৰ্য কৰা হৈছে। প্ৰতিযোগীসকলৰ থকা-খোৱাৰ ব্যৱস্থাৰ উপৰিও চৰকাৰী নিৰিখত ভ্ৰমণ ব্যয় প্ৰদান কৰাৰ কথাও সংবাদমেলত জানিবলৈ দিছে। আনহাতে এই অনুষ্ঠানতে ডিব্ৰুগড়ৰ ক্ৰীড়া ক্ষেত্ৰখনৰ সৈতে জড়িত ৬ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনাব ডিব্ৰুগড় প্ৰেছ ক্লাৱে।



চেম্পিয়নছ ট্ৰফীৰ ছেমিফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শতক নিউজিলেণ্ডৰ ৰবীন্দ্ৰৰ



চেম্পিয়নছ ট্ৰফীৰ দ্বিতীয় ছেমিফাইনেলত নিউজিলেণ্ডৰ বিৰুদ্ধে ক্ৰিজত দক্ষিণ আফ্ৰিকাৰ টেম্বা বাভুমাৰ

## চেম্পিয়নছ ট্ৰফীৰ ছেমিত পৰাজয়ৰ পিছতে ডাঙৰ সিদ্ধান্ত স্মিথৰ

# এদিনীয়া ক্ৰিকেটক বিদায় জনালে অধিনায়ক ষ্টিভ স্মিথে

**ডুবাই, ৫ মাৰ্চঃ** ভাৰতৰ বিৰুদ্ধে চেম্পিয়নছ ট্ৰফীৰ ছেমিফাইনেলত পৰাজয়ৰ কেইটামান ঘণ্টা পিছতে আন্তঃৰাষ্ট্ৰীয় এদিনীয়াৰ পৰা অৱসৰ ঘোষণা কৰিলে অষ্ট্ৰেলিয়াৰ অধিনায়ক ষ্টিভ স্মিথে। বুধবাৰে তেওঁ নিজৰ সিদ্ধান্তৰ কথা অৱগত কৰে। মঙলবাৰে চেম্পিয়নছ ট্ৰফীৰ ছেমিফাইনেলত ভাৰতৰ বিৰুদ্ধে অন্তিমখন এদিনীয়া খেলে স্মিথে। অৱশ্যে এই খেলখনত ভাৰতৰ হাতত পৰাস্ত হয় অষ্ট্ৰেলিয়া। উল্লেখ্য যে, ৩৫ বৰ্ষীয় স্মিথে মুঠ ১৭০ খন এদিনীয়া মেচ খেলিছে। তেওঁ ৪৩.২৮ গড় আৰু ৮৬.৯৬ ষ্ট্ৰাইক ৰেটত এদিনীয়া ফৰ্মেটত সংগ্ৰহ কৰিছে ৫৮০০ ৰান। একে সময়তে এদিনীয়া ফৰ্মেটত ১২টা শতক আৰু ৩৫টা অৰ্ধশতক আছে স্মিথৰ নামত। ২০১৬ চনত নিউজিলেণ্ডৰ বিৰুদ্ধে এদিনীয়াত স্মিথে সৰ্বাধিক ১৬২ ৰানৰ ইনিংছ খেলিছিল। লেগ স্পিনাৰ হিচাপে ক্ৰিকেটলৈ অহা স্মিথে এই ফৰ্মেটত ২৮টা উইকেটো লাভ কৰিছে। ক্ৰিকেট অষ্ট্ৰেলিয়াৰ এক বিবৃতি অনুসৰি, ছেমিফাইনেলত পৰাজয়ৰ পিছতেই স্মিথে অৱসৰৰ কথা জনাইছিল। অৱশ্যে, তেওঁ টেষ্ট আৰু টি-২০ ক্ৰিকেট খেলি থাকিব বুলি জনায়। স্মিথে বিবৃতিত কয়, "মই এক অবিশ্বাস্য সময় উপভোগ কৰিছোঁ। অসাধাৰণ কিছু মুহূৰ্ত আৰু দুৰ্দান্ত স্মৃতি আছে। দুখন বিশ্বকাপ জিকাটো জীৱনৰ অন্যতম স্মৰণীয় স্মৃতি। ইয়াৰ লগতে এই যাত্ৰাত মই কিছু অতি শ্ৰেষ্ঠ সতীৰ্থও লাভ কৰিছো।" স্মিথে আৰু কয়, "২০২৭ বিশ্বকাপৰ প্ৰস্তুতি আৰম্ভ কৰাৰ সময় আহি পৰিছে। গতিকে আনক ঠাই দিয়াৰ বাবে এয়াই সৰ্বোত্তম সময়। বৰ্তমান মোৰ বাবে টেষ্ট ক্ৰিকেটেই অগ্ৰাধিকাৰ। বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ ফাইনেলত খেলিবলৈ মই উৎসুক হৈ আছোঁ। তাৰ পিছত শীতকালীন চিৰিজত ৱেষ্ট ইণ্ডিজ আৰু ঘৰুৱা খেলপথাৰত ইংলেণ্ডৰ বিৰুদ্ধে খেলিম। মোৰ হাতত এতিয়াও বহুতো কৰিবলগীয়া আছে।" উল্লেখ্য যে, ২০১৫ আৰু ২০২৩ চনত অষ্ট্ৰেলিয়াৰ হৈ এদিনীয়া বিশ্বকাপ জিকোৱা স্মিথে মাইকেল ক্লাৰ্কৰ পিছত এদিনীয়া ক্ৰিকেটত অধিনায়ক হিচাপে দায়িত্ব লৈছিল। পিছত বল বিকৃতি কাণ্ডত তেওঁৰ অধিনায়কত্ব হেৰুৱায়। দুবছৰ পিছত তেওঁক পুনৰ অধিনায়ক হিচাপে দায়িত্ব প্ৰদান কৰা হয়। নিয়মীয়া অধিনায়ক পেট কামিন্সৰ আঘাতৰ বাবে চেম্পিয়ন্স ট্ৰফীত দলক নেতৃত্ব দিছিল স্মিথে।

# সমালোচকক উচিত প্ৰত্যুত্তৰ মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰৰ

**ডুবাই, ৫ মাৰ্চঃ** চেম্পিয়নছ ট্ৰফীৰ ভেন্যু বিতৰ্কত এইবাৰ মাত মাতিছে ভাৰতীয় দলৰ মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰে। সাংবাদিকৰ সন্মুখত গম্ভীৰে কয় যে ডুবাইত ভাৰতীয় দলে কোনো ধৰণৰ অধিক সুবিধা পোৱা নাই। বৰঞ্চ, টিম ইণ্ডিয়াৰ সাফল্য সম্পূৰ্ণৰূপে পৰিকল্পিত ক্ৰিকেট খেলাৰ ফল। আৰম্ভণিৰে পৰাই ডুবাইত ভাৰতৰ খেলক লৈ বহু আলোচনা-সমালোচনা হৈ আহিছে। বহুতে কৈছে যে ভাৰতে ডুবাইত অধিক সুবিধা পাইছে। ইংলেণ্ডৰ পূৰ্বৰ দুজন অধিনায়কেও ভাৰতৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰিছিল। মঙলবাৰে এগৰাকী বিদেশী সাংবাদিকে গম্ভীৰক কৰা প্ৰশ্নৰ উত্তৰত প্ৰশিক্ষকগৰাকীয়ে কয়, "প্ৰথমতে, এই স্থান আমাৰ বাবে ইমানেই নিৰপেক্ষ, যিমান অন্য দলবোৰৰ বাবে। আমি শেষবাৰ কেতিয়া ডুবাইত টুৰ্ণামেণ্ট খেলিছিলো, মনত পেলাব পৰা নাই। আৰু সুবিধাৰ কথা কৈছে, আমাৰ দলে এই ষ্টেডিয়ামত এদিনলৈকেও প্ৰেকটিছ কৰিছিল নেকি? সকলো প্ৰেকটিছ ছেচন হৈছিল আইচিচিৰ একাডেমী খেলপথাৰত। যʼৰ পৰিৱেশ এই ষ্টেডিয়ামৰ পৰা এশ আশী ডিগ্ৰী বেলেগ। তাৰ উইকেট আৰু ইয়াৰ উইকেটৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছে।"

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি